रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 2 ] NEW DELHI, THURSDAY, JUNE 14, 2018 / 24 JAISTHA, 1940 (Saka) [ VOL : 5

নং ২ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৪, ২০১৮ / ২৪ জেঠ, ১৯৪০ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

২৯ ফেব্ৰুৱাৰী, ২০০১ তাৰিখে সন্মতিপ্ৰাপ্ত

শক্তি সংৰক্ষণ, অধিনিয়ম, ২০০১ (২০০১ ৰ ৫২)

# শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

## (২০০১ৰ অধিনিয়ম সংখ্যা ৫২)

### ধাৰাসমূহৰ বিন্যাস

অধ্যায় ১

প্ৰাৰম্ভিক

ধাৰাসমূহ — পৃষ্ঠা


১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১

২। পৰিভাষা — ১


অধ্যায় ২

শক্তিৰ কাৰ্য্যদক্ষতাৰ সংযোগ কাৰ্য্যালয়


৩। শক্তিৰ কাৰ্য্যদক্ষতাৰ সংযোগ কাৰ্য্যালয়ৰ স্থাপন আৰু নিগমন — ২

৪। সংযোগ কাৰ্য্যালয়ৰ ব্যৱস্থাপন — ২

৫। শাসকীয় পৰিষদৰ সভাসমূহ — ৪

৬। সংযোগ কাৰ্য্যালয়, শাসকীয় পৰিষদ বা সমিতিৰ কাৰ্য্যবাহীক পদৰিক্তি, ইত্যাদিয়ে, অবৈধ নকৰিব — ৪

৭। কাৰ্য্যালয়ৰ পৰা সদস্যৰ অপসাৰণ — ৪

৮। উপদেষ্টা সমিতি আৰু আন সমিতিসমূহৰ গঠন — ৪

৯। সংযোগ কাৰ্য্যালয়ৰ মহানিৰ্দেশক — ৪

১০। সংযোগ কাৰ্য্যালয়ৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ — ৫

১১। সংযোগ কাৰ্য্যালয়ৰ আদেশ আৰু বিনিশ্চয়ৰ অধিপ্ৰমাণিতকৰণ — ৫


অধ্যায় ৩

সংযোগ কাৰ্য্যালয়লৈ শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ পৰিসম্পত্তি, দায়িত্ব, ইত্যাদিৰ অন্তৰণ


১২। শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ পৰিসম্পত্তি, দায়িত্ব আৰু কৰ্মচাৰীবৃন্দৰ অন্তৰণ — ৫


অধ্যায় ৪

সংযোগ কাৰ্য্যালয়ৰ ক্ষমতা আৰু কৃত্যসমূহ


১৩। সংযোগ কাৰ্য্যালয়ৰ ক্ষমতা আৰু কৃত্যসমূহ — ৬


অধ্যায় ৫

শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ সুচল আৰু বলবৎ কৰিবলৈ কেন্দ্ৰীয়চৰকাৰৰ ক্ষমতা


১৪। শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা — ৭

## অধ্যায় ৬

## ৰাজ্য চৰকাৰৰ শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ সুচল আৰু বলবৎ কৰাৰ ক্ষমতা

পৃষ্ঠা

১৫ । ৰাজ্য চৰকাৰৰ শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে কেতবোৰ উপবন্ধ বলবৎ কৰাৰ ক্ষমতা ৯
১৬ । ৰাজ্য চৰকাৰৰ দ্বাৰা নিধিৰ স্থাপন ৯
১৭ । পৰিদৰ্শনৰ ক্ষমতা ১০
১৮ । কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ নিৰ্দ্দেশনা জাৰি কৰাৰ ক্ষমতা ১০

## অধ্যায় ৭

## সংযোগ কাৰ্য্যালয়ৰ বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

১৯ । কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মঞ্জুৰী আৰু ঋণ ১১
২০ । কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিধিৰ স্থাপন ১১
২১ । সংযোগ কাৰ্য্যালয়ৰ ধাৰ লোৱাৰ ক্ষমতা ১১
২২ । বাজেট ১১
২৩ । বাৰ্ষিক প্ৰতিবেদন ১১
২৪ । বাৰ্ষিক প্ৰতিবেদন সংসদত উত্থাপন কৰা হ'ব ১১
২৫ । হিচাপ আৰু হিচাপ পৰীক্ষা ১১

## অধ্যায় ৮

## অৰ্থদণ্ড আৰু ন্যায়নিৰ্ণয়

২৬ । অৰ্থদণ্ড ১২
২৭ । ন্যায়নিৰ্ণয়ৰ ক্ষমতা ১২
২৮ । ন্যায়নিৰ্ণায়ক পদাধিকাৰীৰ দ্বাৰা বিবেচনাত লবলগীয়া উপাদানসমূহ ১৩
২৯ । চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব ১৩

## অধ্যায় ৯

## শক্তিৰ সংৰক্ষণৰ বাবে আপীল ন্যায়াধিকৰণ

৩০ । আপীল ন্যায়াধিকৰণৰ স্থাপন ১৩
৩১ । আপীল ন্যায়াধিকৰণলৈ আপীল ১৩
৩২ । আপীল ন্যায়াধিকৰণৰ গঠন ১৪
৩৩ । আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যসমূহৰ নিযুক্তিৰ বাবে অৰ্হতাসমূহ ১৪
৩৪ । পদাৱধি ১৫
৩৫ । সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী ১৫
৩৬ । পদবিৰ্তি ১৫
৩৭ । পদত্যাগ আৰু অপসাৰণ ১৫
৩৮ । কেতবোৰ পৰিস্থিতিত সদস্যই অধ্যক্ষ ৰূপে কাৰ্য্য কৰিব ১৫
৩৯ । আপীল ন্যায়াধিকৰণৰ কৰ্মচাৰীবৃন্দ ১৬
৪০ । আপীল ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা ১৬

পৃষ্ঠা

৪১। ন্যায়পীঠসমূহৰ মাজত কামকাজৰ বিতৰণ ১৬
৪২। অধ্যক্ষৰ গোচৰ অন্তৰণ কৰাৰ ক্ষমতা ১৭
৪৩। সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা লবলগীয়া বিনিশ্চয় ১৭
৪৪। উপস্থাপন পদাধিকাৰীক নিয়োগ কৰিবলৈ বিধিক ব্যৱসায়ী বা প্ৰত্যয়িত হিচাপ পৰীক্ষক আৰু চৰকাৰৰ সহায়তা লবলৈ আপীলকাৰীৰ অধিকাৰ ১৭
৪৫। উচ্চতম ন্যায়ালয়লৈ কৰা আপীল ১৭

## অধ্যায় - ১০

## বিবিধ

৪৬। কেন্দ্ৰীয় চৰকাৰৰ সংযোগ কাৰ্যালয়লৈ নিৰ্দ্দেশনা জাৰী কৰাৰ ক্ষমতা ১৭
৪৭। সংযোগ কাৰ্য্যালয় অধিস্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ১৭
৪৮। কোম্পানীসমূহৰ দ্বাৰা কৰা ত্ৰুটী ১৮
৪৯। আয়কৰৰ পৰা ৰেহাই ১৯
৫০। সদ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা ১৯
৫১। আৰোপন ১৯
৫২। তথ্য লাভৰ ক্ষমতা ১৯
৫৩। ৰেহাই দিবলৈ ক্ষমতা ১৯
৫৪। আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ, পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ, বাজিক আয়োগৰ সদস্য, সংযোগ কাৰ্য্যালয়ৰ সদস্য, মহানিৰ্দ্দেশক, সচিব, সদস্যসকল, পদাধিকাৰীসকল আৰু কৰ্মচাৰীবৃন্দ লোকসেৱক হব ১৯
৫৫। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দ্দেশনা জাৰী কৰাৰ ক্ষমতা ২০
৫৬। কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ২০
৫৭। ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ২১
৫৮। সংযোগ কাৰ্য্যালয়ৰ বিনিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ২১
৫৯। সংসদ আৰু ৰাজ্যিক বিধানসভাত উত্থাপন কৰিবলগীয়া নিয়মাৱলী আৰু বিনিয়মাৱলী ২২
৬০। বৰ্জন নকৰা আন বিধিৰ প্ৰয়োগ ২২
৬১। কেতবোৰ ক্ষেত্ৰত এই অধিনিয়মৰ উপবন্ধাৱলী প্ৰয়োগ নহব ২২
৬২। জটিলতা দূৰীকৰণৰ ক্ষমতা ২২

অনুসূচী

# শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১
## (২০০১ৰ অধিনিয়ম সংখ্যা ৫২)

শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে আৰু ইয়াৰ সৈতে জড়িত আৰু ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক ভাৰত গণৰাজ্যৰ দ্বিপঞ্চাশতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ

### অধ্যায় ১
### প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ। ১। (১) এই অধিনিয়মখন শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১ বুলি অভিহিত হ'ব।

(২) ই জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ ব্যতিৰেকে সমগ্ৰ ভাৰততে বিস্তৃত।

(৩) ই এনে তাৰিখত বলবৎ হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰে, আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰে আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত এনে কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দ্দেশক সেই উপবন্ধৰ বলবৎকৰণলৈ এটা প্ৰসঙ্গ নিৰ্দ্দেশ ৰূপে অৰ্থ কৰিব।

পৰিভাষা। ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে, —

(ক) ''প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষক'' মানে ধাৰা ১৩ৰ উপধাৰা(২)ৰ খণ্ড (ণ)ৰ অধীনত বিনিৰ্দ্দিষ্ট অৰ্হতা থকা এজন হিচাপ পৰীক্ষক ;

(খ) ''আপীল ন্যায়াধিকৰণ'' মানে ধাৰা ৩০ৰ অধীনত স্থাপিত শক্তি সংৰক্ষণৰ বাবে আপীল ন্যায়াধিকৰণ ;

(গ) ''ভৱন'' মানে ধাৰা ১৫ৰ খণ্ড (ক)ৰ বা ধাৰা ৫৬ৰ উপধাৰা(২)ৰ খণ্ড (ঠ)ৰ অধীনত অধিসূচিত হোৱা শক্তি সংৰক্ষণৰ ভৱন সংহিতাৰ সম্পৰ্কিত নিয়মাৱলীৰ পিচত কোনো গাঠনি বা থিয় কৰোৱা বা গাঠনিৰ ভাগ বা থিয় কৰোৱাৰ ভাগ যাৰ ৫০০ কিলোৱাট যুক্ত লোড থাকে বা ৬০০ কে ভি এ আৰু তাৰো বেছি চুক্তি দাবী থাকে আৰু বাণিজ্যিক প্ৰয়োজনাৰ্থে ব্যৱহৃত হোৱা বুলি অভিপ্ৰেত হয় ;

(ঘ) ''সংযোগ কাৰ্য্যালয়'' মানে ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত শক্তিৰ কাৰ্য্যদক্ষতাৰ সংযোগ কাৰ্য্যালয় ;

(ঙ) ''অধ্যক্ষ'' মানে শাসকীয় পৰিষদৰ অধ্যক্ষ ;

(চ) ''পদাভিহিত এজেন্সী'' মানে ধাৰা ১৫ৰ খণ্ড (ঘ)ৰ অধীনত পদাভিহিত কোনো এজেন্সী ;

(ছ) ''পদাভিহিত উপভোক্তা'' মানে ধাৰা ১৪ৰ খণ্ড (ঙ)ৰ অধীনত বিনিৰ্দ্দিষ্ট কোনো উপভোক্তা ;

(জ) ''শক্তি'' মানে জীৱাশ্মৰ ইন্ধন, পাৰমাণৱিক উপাদান বা পদাৰ্থ, জলবিদ্যুৎৰ পৰা উদ্ভৱ হোৱা শক্তিৰ কোনো আকাৰ আৰু ই, বৈদ্যুতিক শক্তি বা শক্তিৰ নবীকৰণৰ উৎসৰ পৰা উৎপাদিত বৈদ্যুতিক শক্তি বা বিদ্যুৎ বা গ্ৰীড়ৰ লগত জড়িত জীৱসংখ্যাক অন্তৰ্ভুক্ত কৰে ;

(ঝ) ''শক্তিৰ হিচাপ পৰীক্ষা'' মানে ব্যয় হিতৰ বিশ্লেষণৰ সৈতে শক্তিৰ কাৰ্য্যদক্ষতা বিকাশৰ বাবে অনুমোদন থকা কাৰিকৰী প্ৰতিবেদনৰ দাখিল আৰু শক্তি ব্যয় হ্ৰাস কৰিবলৈ কাৰ্য্য আঁচনিক অন্তৰ্ভুক্ত কৰি শক্তিৰ ব্যৱহাৰৰ সত্যাসত্য প্ৰমাণ, নিৰীক্ষণ আৰু বিশ্লেষণ ;

(ঞ) ''শক্তিৰ সংৰক্ষণ ভৱন সংহিতা'' মানে এলেকাৰ প্ৰতিবৰ্গৰ মিটাৰৰ নিবন্ধনত অভিব্যক্ত শক্তি ব্যয়ৰ নিৰিখ আৰু মানদণ্ড য'ত শক্তি ব্যৱহাৰ কৰা হয় আৰু ই ভৱনৰ স্থান অন্তৰ্ভুক্ত কৰে ;

(ট) ''শক্তি ব্যয়ৰ মানদণ্ড'' মানে ধাৰা ১৪ৰ খণ্ড (ক)ৰ অধীনত বিনিৰ্দ্দিষ্ট পদ্ধতিৰ নীতি আৰু শক্তি ব্যয়ৰ মানদণ্ড ;

১৮৬০ ৰ ২১ (ঠ) ''শক্তি ব্যৱস্থাপনা কেন্দ্ৰ'' মানে শক্তিৰ ভূতপূৰ্ব মন্ত্ৰালয় শক্তি বিভাগৰ নং ৭(২) ৮৭ ই পি (সংখ্যা IV) তাৰিখ ৫ জুলাই ১৯৮৯ত ভাৰত চৰকাৰৰ প্ৰস্তাৱৰ অধীনত গঠন কৰা আৰু সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ৰ অধীনত পঞ্জীকৃত শক্তি ব্যৱস্থাপন কেন্দ্ৰ ;

(ড) ''শক্তিৰ পৰিচালক'' মানে ধাৰা ১৪ৰ খণ্ড (ঢ)ৰ অধীনত বিহিত কৰা দৰে অৰ্হতাসমূহ থকা কোনো ব্যক্তি ;

(ঢ) ''শাসকীয় পৰিষদ'' মানে ধাৰা ৪ত নিৰ্দ্দেশিত প্ৰশাসন পৰিষদ ;

(ণ) ''সদস্য'' মানে শাসকীয় পৰিষদৰ সদস্য আৰু ই, অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(ত) ''অধিসূচনা'' মানে ভাৰতৰ ৰাজপত্ৰৰ কোনো অধিসূচনা বা যথাস্থিতি এখন ৰাজ্যৰ চৰকাৰী ৰাজপত্ৰ ;

(থ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(দ) ''বিনিয়মাৱলী'' মানে এই অধিনিয়মৰ অধীনত সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা প্ৰণয়ন কৰা বিনিয়মাৱলী ;

(ধ) ''অনুসূচী'' মানে এই অধিনিয়মৰ অনুসূচী ;

১৯৯৮ৰ ১৪ (ন) ''ৰাজ্যিক আয়োগ'' মানে বিদ্যুৎ নিয়ন্ত্ৰণকাৰী আয়োগ অধিনিয়ম, ১৯৯৮ৰ ধাৰা ১৭ৰ উপধাৰা (১)ৰ অধীনত স্থাপিত ৰাজ্যিক বিদ্যুৎ নিয়ন্ত্ৰণকাৰী আয়োগ ;

১৯১০ৰ ৯
১৯৪৮ৰ ৫৪
১৯৯৮ৰ ১৪

(প) এই অধিনিয়মত ব্যৱহৃত হোৱা আৰু পৰিভাষিত নোহোৱা কিন্তু ভাৰতীয় বিদ্যুৎ অধিনিয়ম, ১৯১০ বা বিদ্যুৎ (যোগান) অধিনিয়ম, ১৯৪৮ বা বিদ্যুৎ নিয়ন্ত্ৰণকাৰী আয়োগ অধিনিয়ম, ১৯৯৮ত পৰিভাষিত শব্দ আৰু অভিব্যক্তিবোৰৰ সেইবোৰ অধিনিয়মত সেইবোৰলৈ যথাক্ৰমে ন্যস্ত কৰাৰ দৰে অৰ্থ থাকিব।

## অধ্যায় ২

## শক্তি কাৰ্য্যদক্ষতাৰ সংযোগ কাৰ্য্যালয়

**শক্তি কাৰ্য্যদক্ষতাৰ সংযোগ কাৰ্য্যালয়ৰ স্থাপন আৰু নিগমন।**

৩। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, নিয়ত কৰা দৰে এনে তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে শক্তিৰ কাৰ্য্যদক্ষ সংযোগ কাৰ্য্যালয় বুলি এটা সংযোগ কাৰ্য্যালয় স্থাপন কৰিব।

(২) সংযোগ কাৰ্য্যালয়, এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে, স্থাৱৰ আৰু অস্থাৱৰ উভয় সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ আৰু চুক্তি কৰিবলৈ ক্ষমতাসহ শাশ্বত উত্তৰাধিকাৰ আৰু এটা সাধাৰণ মুদ্ৰা থকা পূৰ্বোক্ত নামেৰে এটা নিগমিত নিকায় হ'ব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদযুক্ত হ'ব।

(৩) সংযোগ কাৰ্য্যালয়ৰ মুখ্য কাৰ্য্যালয় দিল্লীত হ'ব ।

(৪) সংযোগ কাৰ্য্যালয়ে ভাৰতৰ আন স্থানসমূহত কাৰ্য্যালয়সমূহ স্থাপন কৰিব পাৰে।

**সংযোগ কাৰ্য্যালয়ৰ ব্যৱস্থাপন।**

৪। (১) সংযোগ কাৰ্য্যালয়ৰ কাম কাজৰ সাধাৰণ অধীক্ষণ, নিৰ্দ্দেশনা, আৰু ব্যৱস্থাপন শাসকীয় পৰিষদৰ ওপৰত ন্যস্ত থাকিব যিটো কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত হোৱা সদস্যৰ বিশজনৰ কম নোহোৱা কিন্তু ছাব্বিশজনৰ অধিক নোহোৱা সদস্যৰে গঠিত হ'ব ;

(২) শাসকীয় পৰিষদ নিম্নলিখিত সদস্যসমূহৰ দ্বাৰা গঠিত হ'ব , অৰ্থাৎ ঃ —

## শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

(ক) শক্তিৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী — পদেন অধ্যক্ষ ;

(খ) শক্তিৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন সদস্য ;

(গ) পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেচৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন সদস্য ;

(ঘ) কয়লাৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন সদস্য ;

(ঙ) অপৰম্পৰাগত শক্তিৰ উৎসৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত, ভাৰত চৰকাৰৰ সচিব — পদেন সদস্য ;

(চ) পাৰমাণৱিক শক্তিৰ সৈতে সংব্যৱহৃত ভাৰত চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন সদস্য ;

(ছ) উপভোক্তাৰ বিষয়ৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন সদস্য ;

১৯৪৮ৰ ৫৪ (জ) বিদ্যুৎ (যোগান) অধিনিয়ম, ১৯৪৮ৰ অধীনত স্থাপিত কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ অধ্যক্ষ — পদেন সদস্য ;

কৰ্ণাটক অধিনিয়ম ১৯৬০ৰ ১৭ (ঝ) কৰ্ণাটক সমিতি অধিনিয়ম, ১৯৬০ৰ অধীনত পঞ্জীকৃত কেন্দ্ৰীয় শক্তিৰ গৱেষণা প্ৰতিষ্ঠানৰ মহানিৰ্দ্দেশক — পদেন সদস্য ;

১৮৬০ৰ XXI (ঞ) সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ৰ অধীনত পঞ্জীকৃত কোনো সমিতিৰ পেট্ৰ'লিয়াম সংৰক্ষণৰ গৱেষণা সন্থাৰ কাৰ্য্যবাহী সঞ্চালক — পদেন সদস্য ;

১৯৫৬ৰ ১ (ট) কেন্দ্ৰীয় খনি পৰিকল্পনা আৰু নক্সা প্ৰতিষ্ঠান পৰিসীমিতৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক, কোম্পানী অধিনিয়ম, ১৯৫৬ৰ অধীনত নিগমিত কোনো এটা কোম্পানী — পদেন সদস্য ;

১৯৮৬ৰ ৬৩ (ঠ) ভাৰতীয় মানক অধিনিয়ম, ১৯৮৬ৰ সংযোগ কাৰ্য্যালয়ৰ অধীনত স্থাপিত ভাৰতীয় মানকৰ সংযোগ কাৰ্য্যালয়ৰ মহানিৰ্দ্দেশক — পদেন সদস্য ;

(ড) ৰাষ্ট্ৰীয় পৰীক্ষাগৃহ, যোগান বিভাগ, বাণিজ্যিক আৰু ঔদ্যোগিক মন্ত্ৰালয়ৰ মহানিৰ্দ্দেশক, ক'লকাতা — পদেন সদস্য ;

১৯৫৬ৰ ১ (ঢ) ভাৰতীয় নবীকৰণীয় শক্তিৰ উন্নয়ন এজেন্সী পৰিসীমিত কোম্পানী অধিনিয়ম, ১৯৫৬ৰ অধীনত নিগমিত কোনো কোম্পানীৰ মহানিৰ্দ্দেশক — পদেন সদস্য ;

(ণ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত হ'বলগীয়া অঞ্চলৰ ৰাজ্যসমূহৰ প্ৰতিনিধিত্ব কৰা প্ৰত্যেক পাঁচ শক্তিৰ অঞ্চলৰ এজন সদস্য — পদেন সদস্য ;

(ত) কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে ব্যক্তিসকলৰ মাজৰ পৰা চাৰিজনৰ অনধিক ব্যক্তিসকলৰ এনে সংখ্যক ব্যক্তিক সদস্যৰূপে নিযুক্তি দিব, যি কেন্দ্ৰীয় চৰকাৰৰ মতত ঔদ্যোগিক, সজুলি আৰু সা- সৰঞ্জাম তৈয়াৰকৰণ, স্থাপত্যবিদ আৰু উপভোক্তাৰূপে প্ৰতিনিধিত্বৰ বাবে সমৰ্থ হয় — সদস্য সকল, সদস্য সকল ;

(থ) শাসকীয় পৰিষদে দুজনৰ অনধিক এনে সংখ্যক ব্যক্তিক সদস্যৰূপে মনোনীত কৰিব — পদেন সদস্য-সচিব

(৩) শাসকীয় পৰিষদে সকলো ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা কাৰ্য্যকৰী বা কৰা সকলো কাৰ্য্য আৰু কৰ্ম কৰিব ।

(৪) উপধাৰা(২)ৰখণ্ড(ণ), (ত)আৰু (থ) নিৰ্দ্দেশিত প্ৰত্যেক সদস্যই, সেই তাৰিখৰ পৰা তিনিবছৰৰ এটা অৱধিৰ বাবে পদ ধাৰণ কৰিব যি তাৰিখত তেওঁ তেওঁৰ পদত প্ৰৱিষ্ট হয় ।

(৫) উপধাৰা (২)ৰ খণ্ড (ণ)(ত) (থ) নিৰ্দ্দেশিত সদস্যসকলক দিবলগীয়া মাচুল আৰু ভাত্তা আৰু পদৰিক্তি পূৰণ কৰা ৰীতি আৰু ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত অনুসৰণ কৰিব লগীয়া প্ৰক্ৰিয়া এনে হ'ব যিদৰে বিহিত কৰা হয় ।

## শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

শাসকীয় পৰিষদৰ সভাসমূহ।

৫। (১) শাসকীয় পৰিষদ এনে সময়ত আৰু স্থানত বহিব আৰু ইয়াৰ সভাসমূহৰ (এনে সভাসমূহৰ থূল অন্তৰ্ভুক্ত কৰি) কাম-কাজসমূহৰ আদান প্ৰদান লক্ষ্য ৰাখি প্ৰক্ৰিয়াৰ এনে নিয়মাৱলী পালন কৰিব যিদৰে বিনিয়মাৱলীৰ দ্বাৰা উপবন্ধিত কৰা হয় ;

(২) অধ্যক্ষই বা যদি কোনো কাৰণৰ বাবে তেওঁ শাসকীয় পৰিষদৰ কোনো সভাত উপস্থিত থাকিবলৈ অসমৰ্থ হয়, সভাসমূহত তেওঁলোকৰ মাজৰ পৰা উপস্থিত থকা সদস্যসমূহৰ দ্বাৰা নিৰ্বাচিত কোনো আন সদস্যই সভাসমূহত সভাপতিত্ব কৰিব।

(৩) সকলো প্ৰশ্ন, যিটো শাসকীয় পৰিষদৰ কোনো সভাৰ সমুখলৈ অনা হয়, উপস্থিত থকা সদস্যসমূহৰ এটা সংখ্যাগৰিষ্ঠ ভোটৰ আৰু ভোটদানৰ দ্বাৰা বিনিশ্চিত কৰা হ'ব আৰু ভোটৰ সমানতাৰ ক্ষেত্ৰত অধ্যক্ষই, বা তেওঁৰ অনুপস্থিতিত, সভাপতিত্ব কৰা ব্যক্তিৰ এটা দ্বিতীয় বা নিৰ্ণায়ক ভোট থাকিব।

সংযোগ কাৰ্য্যালয়, শাসকীয় পৰিষদ বা সমিতিৰ কাৰ্য্যবাহীক পদৰিক্তি, ইত্যাদিয়ে অবৈধ নকৰিব।

৬। কোনো সংযোগ কাৰ্য্যালয় বা শাসকীয় পৰিষদ বা সমিতিৰ কোনো কাৰ্য্য বা কাৰ্যবাহী কেৱল মাত্ৰ নিম্ন লিখিত কাৰণৰ দ্বাৰা অবৈধ নহব ——

(ক) সংযোগ কাৰ্য্যালয় বা শাসকীয় পৰিষদৰ বা সমিতিৰ গঠনত কোনো পদৰিক্তি বা ত্ৰুটী ; বা

(খ) সংযোগ কাৰ্য্যালয়ৰ মহা নিৰ্দ্দেশক বা সচিব , বা শাসকীয় পৰিষদৰ বা সমিতিৰ এজন সদস্যৰূপে কাৰ্য্য কৰা এজন ব্যক্তিৰ নিযুক্তিত থকা কোনো ত্ৰুটী ; বা

(গ) গোচৰৰ গুনাগুণক প্ৰভাৱিত নকৰা সংযোগ কাৰ্য্যালয় বা শাসকীয় পৰিষদ বা কমিটিৰ প্ৰক্ৰিয়াত কোনো অনিয়মতা।

কাৰ্য্যালয়ৰ পৰা সদস্যৰ অপসাৰণ।

৭। কেন্দ্ৰীয় চৰকাৰে ধাৰা ৪ৰ উপধাৰা (২)ৰ খণ্ড (ণ), (ত) আৰু (থ)ত নিৰ্দ্দেশিত এজন সদস্যক পদৰ পৰা অপসাৰণ কৰিব, যদি তেওঁ ——

(ক) দেউলীয়া হিচাবে যিকোনো সময়ত ন্যায়নিৰ্ণীত হয়, বা যি কোনো সময়ত, ন্যায়নিৰ্ণীত কৰা হৈছে ;

(খ) বিকৃত মস্তিষ্কৰ হয় আৰু এখন সক্ষম ন্যায়ালয়ৰ দ্বাৰা এনেদৰে ঘোষিত হয় ;

(গ) কোনো অপৰাধৰ দোষী সাব্যস্ত কৰা হৈছে যিটো কেন্দ্ৰীয় চৰকাৰৰ মতত নৈতিক ভ্ৰষ্টতাত লিপ্ত হয় ;

(ঘ) কেন্দ্ৰীয় চৰকাৰৰ মতত তেওঁ পদৰ এনে অপব্যৱহাৰ কৰিছে যে যাৰ বাবে তেওঁৰ কাৰ্য্যকাল চলি থাকিলে লোক স্বাৰ্থৰ ক্ষতিকাৰক হব ঃ

পৰন্তু কোনো সদস্যক এই খণ্ডৰ অধীনত অপসাৰিত কৰা নহব যদিহে তেওঁক বিষয়টোত শুনানীৰ যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

উপদেষ্টা সমিতি আৰু আন সমিতিসমূহৰ গঠন।

৮। (১) এই মৰ্মে প্ৰণীত কোনো বিনিয়মাৱলীৰ সাপেক্ষে, সংযোগ কাৰ্য্যালয়ে এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা ছয়মাহৰ ভিতৰত ইয়াৰ কৃত্যসমূহৰ দক্ষ নিৰ্বহনৰ বাবে উপদেষ্টা সমিতি গঠন কৰিব।

(২) প্ৰত্যেক উপদেষ্টা সমিতি বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰা দৰে এজন অধ্যক্ষ আৰু এনে আন সদস্যসমূহেৰে গঠিত হ'ব ।

(৩) উপধাৰা (১)ত থকা ক্ষমতাৰ ওপৰত, প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ সংযোগ কাৰ্য্যালয়ে, ই আৱশ্যক বিবেচনা কৰা দৰে সজুলি বা পদ্ধতিৰ সম্বন্ধত শক্তি ব্যয় মানকৰ বা নিৰিখৰ সূত্ৰিতকৰণৰ বাবে বিশেষজ্ঞৰ এনে সংখ্যক কাৰিকৰী সমিতি গঠন কৰিব পাৰে।

সংযোগ কাৰ্য্যালয়ৰ মহানিৰ্দ্দেশক।

৯। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, শক্তিৰ উৎপাদন, যোগান, আৰু শক্তিৰ ব্যৱস্থাপনা, সাম্যকৰণ আৰু শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰৰ সম্পৰ্কিত বিষয়সমূহৰ সংব্যৱহাৰত আৰু ইয়াৰ সংৰক্ষণত পৰ্য্যাপ্ত জ্ঞান আৰু অভিজ্ঞতা থকা সমৰ্থবান আৰু শ্ৰেষ্ঠতা থকা ব্যক্তিসমূহৰ মাজৰ পৰা এজন মহানিৰ্দ্দেশক নিয়োগ কৰিব।

(২) কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা ভাৰত চৰকাৰৰ উপসচিবৰ পদমৰ্যদাৰ নিম্নতৰ নোহোৱা কোনো ব্যক্তিক সংযোগ কাৰ্য্যালয়ৰ সচিব ৰূপে নিযুক্তি দিব।

(৩) মহানিৰ্দ্দেশকে এনে তাৰিখৰ পৰা তিনিবছৰৰ এটা অবধিৰ বাবে য'ত তেওঁ পদ গ্ৰহণ কৰিছে বা তেওঁৰ ষাঠি বছৰ বয়স নোহোৱালৈকে পদ ধাৰণ কৰিব, যিটোৱেই আগতীয়া হয়।

(৪) মহানিৰ্দ্দেশকক দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু তেওঁৰ সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু সংযোগ কাৰ্যালয়ৰ সচিবৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

(৫) শাসকীয় পৰিষদৰ দ্বাৰা কাম-কাজৰ সাধাৰণ অধীক্ষণ, নিৰ্দ্দেশনা আৰু ব্যৱস্থাপনাৰ সাপেক্ষে সংযোগ কাৰ্য্যালয়ৰ মহা নিৰ্দ্দেশক, সংযোগ কাৰ্যালয়ৰ মুখ্য কাৰ্য্যবাহী প্ৰাধিকাৰী হ'ব।

(৬) সংযোগ কাৰ্য্যালয়ৰ মহানিৰ্দ্দেশকে সংযোগ কাৰ্য্যালয়ৰ এনে ক্ষমতা আৰু কৰ্ত্তব্যসমূহ কাৰ্য্যকৰী আৰু নিৰ্বহন কৰিব যিদৰে বিনিয়মসমূহৰ দ্বাৰা অৱধাৰিত কৰা হয়।

**সংযোগ কাৰ্য্যালয়ৰ পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ।**

১০। (১) কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ দক্ষ নিৰ্বহনৰ বাবে, ই আৱশ্যক বুলি বিবেচনা কৰা দৰে সংযোগ কাৰ্য্যালয়ত এনে আন পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দক নিযুক্তি দিব পাৰে।

(২) উপধাৰা (১)ৰ অধীনত সংযোগ কাৰ্যালয়ৰ নিযুক্ত পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

**সংযোগ কাৰ্য্যালয়ৰ আদেশ আৰু বিনিশ্চয়ৰ অধিপ্ৰমাণিত কৰণ।**

১১। সংযোগ কাৰ্য্যালয়ৰ সকলো আদেশ আৰু বিনিশ্চয় মহা নিৰ্দ্দেশক বা এই মৰ্মে মহা নিৰ্দ্দেশকৰ দ্বাৰা প্ৰাধিকৃত সংযোগ কাৰ্য্যালয়ৰ কোনো আন পদাধিকাৰীৰ স্বাক্ষৰৰ দ্বাৰা অধিপ্ৰমাণিত কৰা হ'ব।

## অধ্যায় ৩

## সংযোগ কাৰ্য্যালয়লৈ শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ পৰিসম্পত্তি, দায়িত্ব ইত্যাদিৰ অন্তৰণ

**শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ পৰিসম্পত্তি, দায়িত্ব আৰু কৰ্মচাৰীৰ অন্তৰণ।**

১২। (১) সংযোগ কাৰ্য্যালয়ৰ স্থাপনৰ তাৰিখত আৰু তাৰিখৰ পৰা ——

(ক) এই অধিনিয়মৰ অন্যথা কোনো বিধিত বা কোনো সংবিদা বা আন লেখ্যত শক্তিৰ ব্যৱস্থাপন কেন্দ্ৰৰ কোনো প্ৰসঙ্গ নিৰ্দ্দেশক সংযোগ কাৰ্য্যালয়ৰ এটা প্ৰসঙ্গ নিৰ্দ্দেশ হিচাবে গণ্য কৰা হ'ব ;

(খ) শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ অস্থাৱৰ আৰু স্থাৱৰ সকলো সম্পত্তি আৰু পৰিসম্পত্তি, আচবাব পত্ৰ সংযোগ কাৰ্য্যালয়ত ন্যস্ত কৰা হ'ব ;

(গ) শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ সকলো অধিকাৰ আৰু দায়িত্ব সংযোগ কাৰ্য্যালয়লৈ অন্তৰিত কৰা হ'ব আৰু সেইবোৰ সংযোগ কাৰ্য্যালয়ৰ অধিকাৰ আৰু দায়িত্ব হ'ব ;

(ঘ) খণ্ড (গ)ৰ উপবন্ধাৱলীৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ উক্ত কেন্দ্ৰৰ প্ৰয়োজনৰ বাবে বা ইয়াৰ সম্বন্ধত সেই তাৰিখৰ অব্যৱহিত পূৰ্বে শক্তি ব্যৱস্থাপনা কেন্দ্ৰৰ দ্বাৰা, সহ বা ইয়াৰ বাবে উপগত সকলো ঋণ, বাধ্যবাধকতা আৰু দায়িত্ব, প্ৰবিষ্টি সকলো সংবিদা আৰু কৰিবলৈ আৰব্ধ হোৱা সকলো বিষয় আৰু কাৰ্যাক, সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা, সহ বা ইয়াৰ বাবে উপগত, প্ৰবিষ্টি বা আৰব্ধ বুলি গণ্য কৰা হ'ব।

(ঙ) সেই তাৰিখৰ অব্যৱহিত পূৰ্বে শক্তি ব্যৱস্থাপনা কেন্দ্ৰলৈ শোধ্য ধন ৰাশিক সংযোগ কাৰ্য্যালয়লৈ শোধ্য বুলি গণ্য কৰা হ'ব।

(চ) কজু কৰা সকলো বাদ আৰু আন বিধিক কাৰ্য্যবাহী বা যিটো সেই তাৰিখৰ অব্যৱহিত পূৰ্বে শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ দ্বাৰা বা বিৰুদ্ধে কজু কৰিব পাৰিলেহেতেঁন, সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা বা বিৰুদ্ধে চলাই থাকিব বা কজু কৰিব পাৰে ; আৰু

(ছ) সেই তাৰিখৰ অব্যৱহিত পূৰ্বে শক্তি ব্যৱস্থাপন কেন্দ্ৰৰ অধীনত কোনো পদ ধাৰণ কৰা প্ৰত্যেক কৰ্মচাৰীয়ে একেই অৱধিৰ আৰু সেৱাৰ একেই নিবন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত পাৰিতোষিক, ছুটী, ভৱিষ্যনিধি,

অৱসৰ বা আন অৱসান সুবিধাসমূহৰ সম্বন্ধত সংযোগ কাৰ্য্যালয়ৰ পদধাৰণ কৰিব যিদৰে তেওঁ এনে পদ ধাৰণ কৰিলেহেঁতেন যদি সংযোগ কাৰ্য্যালয় স্থাপিত নহ'লহেতেঁন আৰু সংযোগ কাৰ্য্যালয়ৰ কোনো কৰ্মচাৰী ৰূপে বা সেই তাৰিখৰ পৰা ছয়মাহ নোহোৱালৈকে এনেদৰে চলি থাকিব যদি এনে কৰ্মচাৰীয়ে, এনে অৱধিৰ ভিতৰত সংযোগ কাৰ্য্যালয়ৰ কৰ্মচাৰী নহয় বুলি মত দিয়ে।

(২) ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ ত বা তৎসময়ত বলবৎ কোনো আন বিধিত কোনো কথা থকা সত্ত্বেও এই ধাৰাৰ অধীনত ইয়াৰ নিয়মিত সেৱাত সংযোগ কাৰ্য্যালয়ৰ কোনো কৰ্মচাৰীৰ নিবিষ্টকৰণে সেই অধিনিয়ম বা আন বিধিৰ অধীনত কোনো ক্ষতিপূৰণৰ বাবে এনে কৰ্মচাৰীক হক্‌দাৰ নকৰিব, আৰু এনে কোনো দাবী, কোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা আন প্ৰাধিকাৰীৰ দ্বাৰা গ্ৰহণ কৰা নহ'ব।

## অধ্যায় ৪

## সংযোগ কাৰ্য্যালয়ৰ ক্ষমতা আৰু কৃত্যসমূহ

সংযোগ কাৰ্য্যালয়ৰ ক্ষমতা আৰু কৃত্যসমূহ।

১৩। (১) সংযোগ কাৰ্য্যালয়ে এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৰা কৃত্যসমূহৰ সম্পাদনত পদাভিহিত উপভোক্তা, পদাভিহিত এজেন্সী আৰু আন এজেন্সীৰ সৈতে প্ৰভাৱমূলক সহযোগ কৰাত বিদ্যমান উৎস আৰু বুনিয়াদবোৰক স্বীকৃতি দিব আৰু ব্যৱহাৰ কৰিব।

(২) সংযোগ কাৰ্য্যালয়ে এই অধিনিয়মৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৰা দৰে এনে কৃত্যসমূহৰ সম্পাদন আৰু এনে ক্ষমতাসমূহৰ প্ৰয়োগ কৰিব পাৰে আৰু বিশেষতঃ এনে কৃত্য আৰু ক্ষমতাসমূহে নিম্নলিখিত কৃত্য আৰু ক্ষমতাক অন্তৰ্ভুক্ত কৰে —

(ক) ধাৰা ১৪ৰ খণ্ড (ক)ৰ অধীনত অধিসূচিত হোৱা বুলি অপেক্ষিত হোৱা পদ্ধতিৰ নীতি আৰু শক্তি ব্যয়ৰ মানক কেন্দ্ৰীয় চৰকাৰলৈ চুপাৰিছ কৰিব ;

(খ) ধাৰা ১৪ৰ খণ্ড (ঘ)ৰ অধীনত আহিলা-পাতিৰ আৰু সা-সজুলিৰ ওপৰত লেবেলত প্ৰদৰ্শিত কৰা বুলি অপেক্ষিত সবিশেষবোৰ আৰু সেইবোৰৰ প্ৰদৰ্শনৰ ৰীতি চুপাৰিছ কৰিব ;

(গ) ধাৰা ১৪ৰ খণ্ড (ঙ)ৰ অধীনত এজন পদাভিহিত উপভোক্তা ৰূপে শক্তিৰ কোনো ব্যৱহাৰকাৰী বা ব্যৱহাৰকাৰী ব্যক্তিৰ শ্ৰেণীক অধিসূচিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ চুপাৰিছ কৰিব ;

(ঘ) ধাৰা ১৪ৰ খণ্ড (ত)ৰ অধীনত শক্তি সংৰক্ষণ নিৰ্মাণ সংহিতাৰ বাবে পথ প্ৰদৰ্শন বিহিত কৰিবলৈ উপযুক্ত ব্যৱস্থা লব ;

(ঙ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে সজাগতাৰ সৃষ্টি কৰিবলৈ আৰু তথ্য প্ৰসাৰিত কৰিবলৈ সকলো আৱশ্যকীয় ব্যৱস্থা লব ;

(চ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে এনে কৌশলত কৰ্ম্মী আৰু কাৰিকৰী বিশেষজ্ঞৰ প্ৰশিক্ষণৰ ব্যৱস্থা আৰু সংগঠন কৰিব ;

(ছ) শক্তিৰ সংৰক্ষণৰ ক্ষেত্ৰত পৰামৰ্শ সেৱা সুদৃঢ় কৰিব ;

(জ) শক্তিৰ সংৰক্ষণৰ ক্ষেত্ৰত গৱেষণা আৰু বিকাশ উন্নীত কৰিব ;

(ঝ) সজুলি আৰু আহিলাপাতিৰ শক্তিৰ ব্যয়ৰ বাবে প্ৰমাণীকৰণ আৰু পৰীক্ষাৰ বাবে পৰীক্ষা আৰু প্ৰমাণকৰণ প্ৰক্ৰিয়াৰ উন্নয়ন কৰিব আৰু পৰীক্ষাকৰণৰ সুবিধাসমূহৰ উন্নীত কৰিব ;

(ঞ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ উন্নীতকৰণৰ বাবে প্ৰাথমিক আঁচনি আৰু নিৰ্দ্দেশনা আঁচনিৰ প্ৰয়োগৰ সূত্ৰিতকৰণ আৰু সুবিধাজনক কৰিব ;

(ট) শক্তিৰ কাৰ্য্যদক্ষ প্ৰণালী, আহিলা-পাতি, কল, আৰু পদ্ধতিৰ ব্যৱহাৰৰ উন্নীত কৰিব ;

(ঠ) শক্তি কাৰ্য্যদক্ষ আঁচনিৰ নৱপ্ৰৱৰ্ত্তনীয় বিত্তীয়কৰণ উন্নীত কৰিব ;

(ড) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষনৰ উন্নতিৰ বাবে সংস্থালৈ বিত্তীয় সহায়তা দিব ;

(ঢ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ উন্নতিৰ বাবে উপৰন্ধিত সেৱাসমূহৰ বাবে বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰা দৰে মাচুল উদ্‌গ্ৰহণ কৰিব ;

(ণ) বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে প্ৰত্যাৰ্পিত শক্তিৰ হিচাপ পৰীক্ষকৰ তালিকা ৰাখিব ;

(ত) প্ৰত্যাৰ্পিত শক্তিৰ হিচাপ পৰীক্ষকৰ বাবে বিনিয়মাৱলীৰ দ্বাৰা অৰ্হতা বিনিৰ্দ্দিষ্ট কৰিব ;

(থ) বিনিয়মাৱলীৰ দ্বাৰা কৰা ৰীতি আৰু বিৰতিৰ সময় বিনিৰ্দ্দিষ্ট কৰা হ'ব যত শক্তিৰ হিচাপ পৰীক্ষা পৰিচালিত হ'ব ;

(দ) পদাভিহিত উপভোক্তাৰ দ্বাৰা পদাভিহিত বা নিযুক্ত হবলগীয়া শক্তিৰ পৰিচালকৰ বাবে বিনিয়মাৱলীৰ দ্বাৰা প্ৰমাণীকৰণ প্ৰক্ৰিয়া বিনিৰ্দ্দিষ্ট কৰিব ;

(ধ) শক্তিৰ শিক্ষামূলক সংস্থা, বোৰ্ড, বিশ্ববিদ্যালয়, বা স্বায়ত্ত্ব শাসিত নিকায়ৰ বাবে শক্তিৰ কাৰ্য্যদক্ষতাৰ আৰু ইয়াৰ সংৰক্ষণ ওপৰত শিক্ষামূলক পাঠসূচী প্ৰস্তুত কৰিব আৰু তেওঁলোকৰ পাঠ্যক্ৰমত এনে পাঠসূচীৰ অন্তৰ্ভুক্তিৰ বাবে তেওঁলোকৰ সৈতে সহযোগিতা কৰিব ;

(ন) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ সম্পৰ্কত আন্তৰ্জাতিক সহযোগ কাৰ্য্যসূচী প্ৰয়োগ কৰিব যিদৰে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইয়ালৈ আৰোপিত কৰা হয় ;

(প) বিহিত কৰা দৰে এনে আন কৃত্যবোৰ সম্পাদন কৰিব ।

## অধ্যায় ৫

## শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ সূচলজনক আৰু বলৱৎ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা

**শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা।**

১৪। কেন্দ্ৰীয় চৰকাৰে, সংযোগ কাৰ্য্যালয়ৰ সৈতে পৰামৰ্শ কৰি, অধিসূচনাৰ দ্বাৰা —

(ক) কোনো আহিলা-পাতি, সা-সজুলি, যিটোৱে শক্তিৰ ব্যয় কৰে, উৎপাদন কৰে, প্ৰেৰণ কৰে, যোগান ধৰে তাৰ পদ্ধতিৰ নিৰিখ আৰু শক্তি ব্যয় মানকক বিনিৰ্দ্দিষ্ট কৰে ;

(খ) এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, আহিলা-পাতি বা সা-সজুলি যথাস্থিতি আহিলাপাতিৰ বা সা-সজুলি শ্ৰেণীক বিনিৰ্দ্দিষ্ট কৰে ;

(গ) খণ্ড (খ)ৰ অধীনত বিনিৰ্দ্দিষ্ট আহিলা-পাতি বা সা-সজুলি নিৰ্ম্মাণ বা বিক্ৰী বা ক্ৰয় বা আমদানি প্ৰতিষেধ কৰিব পাৰে, যদিহে এনে আহিলা-পাতি বা সা-সজুলিয়ে শক্তি ব্যয় মানকক সঙ্গত নকৰে ঃ

পৰন্তু আহিলা-পাতি বা সা-সজুলিৰ নিৰ্ম্মাণ বা বিক্ৰী বা ক্ৰয় বা আমদানি প্ৰতিষেধ কৰি কোনো অধিসূচনা, এই ধাৰাৰ খণ্ড (ক) অধীনত জাৰী কৰা অধিসূচনাৰ তাৰিখৰ পৰা দুই বছৰৰ ভিতৰত জাৰী কৰা নহ'ব ।

(ঘ) খণ্ড(খ)ৰ অধীনত আৰু এনে ৰীতিত যিদৰে বিনিয়মৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা হয়, আহিলা-পাতি বা সা-সজুলিৰ লেবেলৰ ওপৰত এনে বিৱৰণীৰ প্ৰদৰ্শনৰ নিৰ্দ্দেশ দিব পাৰে ;

(ঙ) ব্যয় কৰা শক্তিৰ প্ৰাবল্য বা পৰিমাণ আৰু শক্তিৰ কাৰ্য্যদক্ষ আহিলাপাতিৰ সঞ্চালনৰ বাবে অপেক্ষিত বিনিয়োগৰ পৰিমাণ আৰু ইয়ালৈ বিনিয়োগ কৰিবলৈ উদ্যোগৰ সমৰ্থ্য আৰু শক্তিৰ কাৰ্য্যদক্ষ আহিলাপাতিৰ সহজলভ্যতা আৰু উদ্যোগৰ দ্বাৰা অপেক্ষিত আহিলাপাতিক অৱধানত ৰাখি, শক্তিৰ কোনো ব্যৱহাৰকাৰী বা ব্যৱহাৰকাৰীৰ শ্ৰেণীক এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে এজন পদাভিহিত উপভোক্তাৰূপে, বিনিৰ্দ্দিষ্ট কৰিব পাৰে ;

(চ) অনুসূচীত বিনিৰ্দ্দিষ্ট শক্তি প্ৰাবল্য উদ্যোগৰ তালিকাৰ পৰিৱৰ্তন কৰিব পাৰে ;

(ছ) ই আৱশ্যক বিবেচনা কৰা দৰে পদাভিহিত উপভোক্তাৰ বাবে এনে শক্তি ব্যয় নিৰিখ আৰু মানকৰ স্থাপন আৰু বিহিত কৰিব পাৰে ঃ

শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, বিহিত কৰা দৰে এনে বিষয়ক অৱধানত ৰাখি বিভিন্ন পদাভিহিত উপভোক্তাৰ বাবে বিভিন্ন নিৰিখ আৰু মানক বিহিত কৰিব পাৰে ;

(জ) খণ্ড(ক)ৰ অধীনত বিনিৰ্দ্দিষ্ট ব্যয় কৰা শক্তিৰ পৰিমাণ বা শক্তি ব্যয়ৰ নিৰিখ আৰু মানদণ্ডক অৱধানত ৰাখি বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ৰীতিত আৰু বিৰতিত প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ দ্বাৰা পৰিচালিত শক্তিৰ হিচাপ পাবলৈ অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা শক্তি প্ৰাবল্য উদ্যোগক নিৰ্দ্দেশ দিব পাৰে ;

(ঝ) যদি শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে আৱশ্যক বিবেচনা কৰে, প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ দ্বাৰা পৰিচালিত হিচাপ পৰীক্ষা পাবলৈ কোনো পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ দিব পাৰে ;

(ঞ) ধাৰা ১৭ৰ উপধাৰা (২)ৰ অধীনত পৰিদৰ্শনৰ প্ৰয়োজনাৰ্থে অন্তৰ্ভুক্ত হ'ব লগা বিষয়সমূহক বিনিৰ্দ্দিষ্ট কৰিব পাৰে ;

(ট) বিহিত কৰা দৰে এনে প্ৰ-পত্ৰ আৰু ৰীতিত আৰু এনে কালৰ ভিতৰত ব্যয় কৰা শক্তি আৰু প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ চুপাৰিছৰ ওপৰত লোৱা কাৰ্য্যব্যৱস্থাৰ বিষয়ে তথ্য, পদাভিহিত এজেন্সীক প্ৰদান কৰিবলৈ কোনো পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ দিব পাৰে ;

(ঠ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে কাৰ্যকলাপৰ ভাৰপ্ৰাপ্ত শক্তি প্ৰৱন্ধকক পদাভিহিত বা নিয়োগ কৰিবলৈ আৰু বিত্তীয় বৰ্ষৰ শেষত শক্তি ব্যয়ৰ পৰিস্থিতিৰ ওপৰত, বিহিত কৰা দৰে, এনে প্ৰপত্ৰ আৰু ৰীতিত পদাভিহিত এজেন্সীলৈ প্ৰতিবেদন দাখিল কৰিবলৈ পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ দিব পাৰে ;

(ড) খণ্ড (ঠ)ৰ অধীনত পদাভিহিত বা নিযুক্ত হবলগীয়া শক্তি প্ৰৱন্ধকৰ বাবে সৰ্বনিম্ন অৰ্হতা বিহিত কৰিব পাৰে ;

(ঢ) শক্তি ব্যয় নিৰিখ আৰু মানদণ্ড পালন কৰিবলৈ প্ৰত্যেক পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ দিব পাৰে ;

(ণ) কোনো পদাভিহিত উপভোক্তাক যিয়ে খণ্ড (ছ)ৰ অধীনত শক্তি ব্যয় নিৰিখ আৰু মানদণ্ড পূৰ্ণ নকৰে, শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ আঁচনি প্ৰস্তুত কৰিবলৈ আৰু বিহিত কৰা দৰে এনে প্ৰপত্ৰ আৰু ৰীতিত বিনিয়োগৰ আৰ্থিক সুফল প্ৰসূতাৰ মতত বধা এনে আঁচনি প্ৰয়োগ কৰিবলৈ নিৰ্দ্দেশ দিব পাৰে ;

(ত) ভৱন বা ভৱন-চৌহদত শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে শক্তিৰ সংৰক্ষণ নিৰ্ম্মাণ সংহিতা বিহিত কৰিব পাৰে ;

(থ) আঞ্চলিক আৰু স্থানীয় জলবায়ু অৱস্থাৰ উপযোগী কৰিবলৈ শক্তি সংৰক্ষণ নিৰ্ম্মাণ সংহিতা সংশোধন কৰিব পাৰে ;

(দ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে শক্তি সংৰক্ষণ নিৰ্ম্মাণ সংহিতাৰ উপবন্ধাৱলী পালন কৰিবলৈ, কোনো পদাভিহিত উপভোক্তা হোৱাত, ভৱন বা ভৱন চৌহদৰ প্ৰত্যেক মালিক বা দখলকাৰীক নিৰ্দ্দেশ দিব পাৰে ;

(ধ) খণ্ড (দ) ত নিৰ্দ্দেশিত কোনো পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ, দিব পাৰে, যদি বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ৰীতি আৰু বিৰতিত প্ৰত্যাৰ্পিত শক্তি হিচাপ-পৰীক্ষকৰ দ্বাৰা এনে ভৱনৰ সম্বন্ধত পৰিচালিত শক্তিৰ হিচাপ, পাবলৈ তেওঁৰ ভৱনত শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে আৱশ্যক বিবেচনা কৰে ;

(ন) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে সজাগতা আৰু তথ্য প্ৰসাৰণ সৃষ্টি কৰিবলৈ আৱশ্যকীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব পাৰে ;

(প) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে ব্যক্তিগত আৰু কাৰিকৰী বিশেষজ্ঞৰ প্ৰশিক্ষণৰ বন্দোবস্ত আৰু সংগঠিত কৰিব পাৰে ;

(ফ) শক্তিৰ কাৰ্যদক্ষ আহিলাপাতি বা যন্ত্ৰপাতিৰ ব্যৱহাৰৰ বাবে অগ্ৰগন্য ব্যৱহাৰক অনুপ্ৰাণিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে ঃ

পৰন্তু খণ্ড (ভ)ৰ পৰা (ধ)ৰ অধীনত ক্ষমতাবোধক সংশ্লিষ্ট ৰাজ্যৰ পৰামৰ্শত কাৰ্যকৰী কৰা হ'ব ।

## অধ্যায় ৬

### ৰাজ্য চৰকাৰৰ শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণ সুচল আৰু বলবৎ কৰাৰ ক্ষমতা

**ৰাজ্যচৰকাৰৰ শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে কেতবোৰ উপবন্ধ বলবৎ কৰাৰ ক্ষমতা ।**

১৫ । ৰাজ্য চৰকাৰে, সংযোগ কাৰ্য্যালয়ৰ সৈতে পৰামৰ্শ কৰাত অধিসূচনাৰ দ্বাৰা,——

(ক) আঞ্চলিক আৰু স্থানীয় জলবায়ুৰ উপযোগী কৰিবলৈ শক্তি সংৰক্ষণৰ নিৰ্ম্মাণ সংহিতা সংশোধন কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ দ্বাৰা ভৱনত শক্তিৰ ব্যৱহাৰৰ সম্বন্ধত শক্তিৰ সংৰক্ষণৰ নিৰ্ম্মাণ সংহিতাৰ বিনিৰ্দ্দিষ্ট আৰু অধিসূচিত কৰিব পাৰে ;

(খ) শক্তিৰ সংৰক্ষণৰ নিৰ্ম্মাণ সংহিতাৰ উপবন্ধাৱলী পালন কৰিবলৈ পদাভিহিত উপভোক্তা হোৱাত ভৱন বা ভৱন চৌহদৰ প্ৰত্যেক মালিক বা দখলকাৰীক নিৰ্দ্দেশ দিব পাৰে ;

(গ) শক্তিৰ কাৰ্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে, যদি আৱশ্যক বিবেচনা কৰে, বিনিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ৰীতিত আৰু এনে বিৰতিত প্ৰত্যায়িত শক্তি হিচাপ পৰীক্ষকৰ দ্বাৰা পৰিচালিত শক্তি হিচাপ পৰীক্ষা পাবলৈ খণ্ড (খ)ত নিৰ্দ্দেশিত কোনো পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ দিব পাৰে ;

(ঘ) কোনো ৰাজ্যৰ ভিতৰত এই অধিনিয়মৰ উপবন্ধাৱলীক সহযোজন, বিনিয়মিত আৰু বলবৎ কৰিবলৈ পদাভিহিত এজেন্সী হিচাবে কোনো এজেন্সীক পদাভিহিত কৰিব পাৰে ;

(ঙ) শক্তিৰ কাৰ্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে সতৰ্কতা সৃষ্টি কৰিবলৈ আৰু তথ্য প্ৰসাৰণ কৰিবলৈ সকলো আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে ;

(চ) শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে ব্যক্তিগত আৰু কাৰিকৰী বিশেষজ্ঞৰ প্ৰশিক্ষণ বন্দোবস্ত আৰু সংগঠিত কৰিব পাৰে ;

(ছ) শক্তিৰ কাৰ্যদক্ষ আহিলাপাতি আৰু যন্ত্ৰপাতিৰ ব্যৱহাৰৰ বাবে অগ্ৰমান্য ব্যৱহাৰক অনুপ্ৰাণিত কৰিবলৈ ব্যৱস্থা লব পাৰে ;

(জ) ইয়াৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে প্ৰপত্ৰ আৰু ৰীতিত আৰু এনে কালছোৱাৰ ভিতৰত, এনে উপভোক্তাৰ দ্বাৰা ব্যয় কৰা শক্তি সম্বন্ধত তথ্য, পদাভিহিত এজেন্সীক দিবলৈ কোনো পদাভিহিত উপভোক্তাক নিৰ্দ্দেশ দিব পাৰে ;

(ঝ) ধাৰা ১৭ৰ উপধাৰা (২)ৰ অধীনত পৰিদৰ্শনৰ প্ৰয়োজনাৰ্থে অন্তৰ্ভুক্ত কৰিব লগা বিষয়বোৰ বিনিৰ্দ্দিষ্ট কৰিব পাৰে ।

**ৰাজ্যচৰকাৰৰ দ্বাৰা নিধিৰ স্থাপন ।**

১৬ । (১) ৰাজ্য চৰকাৰে, ৰাজ্যৰ ভিতৰত শক্তিৰ কাৰ্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ উন্নীতকৰণৰ প্ৰয়োজনাৰ্থে ৰাজ্যিক শক্তি সংৰক্ষণ নিধি বুলি অভিহিত এটা নিধি স্থাপন কৰিব ।

(২) নিধিত সকলো মঞ্জুৰি আৰু ঋণ জমা হ'ব যিবোৰ এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ৰাজ্য চৰকাৰ বা, কেন্দ্ৰীয় চৰকাৰ বা কোনো আন সংগঠন বা ব্যক্তিৰ দ্বাৰা দিয়া হ'ব ।

(৩) নিধি, এই অধিনিয়মৰ উপবন্ধাৱলীৰ প্ৰয়োগৰ বাবে উপগত ব্যয়সমূহৰ পূৰণৰ বাবে প্ৰয়োগ কৰা হ'ব ।

(৪) উপধাৰা (১)ৰ অধীনত গঠন কৰা নিধি, ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মাৱলীত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে ব্যক্তিসমূহ বা প্ৰাধিকাৰীৰ দ্বাৰা আৰু এনে ৰীতিত প্ৰশাসিত হ'ব ।

## শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

পৰিদৰ্শনৰ ক্ষমতা ।

১৭। (১) পদাভিহিত এজেন্সীয়ে, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা পাঁচ বছৰ অৱসানৰ পিছত, ধাৰা ১৪ৰ খণ্ড (ক)ৰ অধীনত বিনিৰ্দিষ্ট শক্তি ব্যয় মানদণ্ডৰ অনুপালন সুনিশ্চিত কৰা বা ধাৰা ১৪ৰ খণ্ড (খ)ৰ অধীনত বিনিৰ্দিষ্ট আহিলা বা সা-সজুলিৰ লেবেলত সবিশেষ প্ৰদৰ্শন সুনিশ্চিত কৰাৰ প্ৰয়োজনাৰ্থে বা তেওঁলোকক আৰোপিত কৰা দৰে এনে আন কৃত্যসমূহ সম্পাদন কৰাৰ প্ৰয়োজনাৰ্থে কিছুমান পৰিদৰ্শন পদাধিকাৰীক নিযুক্তি দিব পাৰে।

(২) এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ সাপেক্ষে, এজন পৰিদৰ্শন পদাধিকাৰীৰ নিম্নলিখিত ক্ষমতা থাকিব ——

(ক) চলাই থকা বা ধাৰা ১৪ৰ খণ্ড (খ)ৰ অধীনত বিনিৰ্দিষ্ট আহিলাপাতি বা সা-সজুলিৰ সৈতে জড়িত থকা কোনো প্ৰবৰ্তনক বা যিটোৰ সম্বন্ধত ধাৰা ১৪ৰ খণ্ড (ক)ৰ অধীনত বিনিৰ্দিষ্ট কৰা শক্তিৰ মানকক, পৰিদৰ্শন কৰিব ;

(খ) পদাভিহিত উপভোক্তাৰ কোনো স্থানত প্ৰৱেশ কৰিব য'ত কোনো কাৰ্য্যৰ বাবে শক্তি ব্যৱহৃত হয় আৰু কোনো গৰাকী, কৰ্মচাৰী, সঞ্চালক, পৰিচালক বা সচিব বা আন কোনো ব্যক্তিক অপেক্ষিত কৰিব পাৰে যিয়ে নিম্নলিখিতসমূহক শক্তিৰ সহায়ত কোনো ৰীতিত বা সহায়তা কৰাত কাৰ্য্য চলাই নিয়াত মনোযোগ দিব পাৰে ;

(i) পৰিদৰ্শন কৰিবলৈ আৱশ্যকীয় সুবিধাবোৰ তেওঁক দিবলৈ ——

(ক) কোনো আহিলা বা সা-সজুলি যিদৰে তেওঁ অপেক্ষা কৰিব পাৰে আৰু যিটো এনে স্থানত সহজলভ্য হয় ;

(খ) শক্তি ব্যয় নিৰিখ আৰু মানদণ্ড অভিনিশ্চিত কৰিবলৈ কোনো উৎপাদন পদ্ধতি ;

(ii) তেওঁৰ দ্বাৰা পৰীক্ষা বা প্ৰমাণিত কোনো আহিলা বা সা-সজুলি ভাণ্ডাৰৰ তালিকা কৰিবলৈ ;

(iii) কোনো ব্যক্তিৰ বিবৃতি অভিলিখিত কৰিব যিটো এই অধিনিয়মৰ অধীনত শক্তিৰ কাৰ্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে উপযোগী বা সুসঙ্গত হ'ব পাৰে ;

(৩) এজন পৰিদৰ্শন পদাধিকাৰীয়ে, পদাভিহিত উপভোক্তাৰ কোনো স্থানত প্ৰৱেশ কৰিব পাৰে ——

(ক) য'ত শক্তিৰ সহায়ত কোনো কাৰ্য্য চলোৱা হৈছে ; আৰু

(খ) য'ত ধাৰা ১৪ৰ খণ্ড (খ)ৰ অধীনত অধিসূচিত কোনো আহিলা বা সা-সজুলি ৰখা হৈছে, এনে সময়ছোৱাৰ ভিতৰত, যিসময়ত এনে স্থান, উৎপাদন বা তাৰ সৈতে সম্পৰ্কিত ব্যৱসায় চালনাৰ বাবে মুকলি থাকে ।

(৪) এই ধাৰাৰ অধীনত কাৰ্য্য কৰি থকা পৰিদৰ্শন পদাধিকাৰীয়ে কোনো কাৰণতেই কোনো স্থানৰ পৰা য'ত তেওঁ কোনো আহিলা বা সা-সজুলি বা হিচাবৰ বহী বা আন দস্তাবেজ প্ৰৱিষ্ট কৰিছে, অপসাৰণ বা অপসাৰণ কৰিত নকৰিব ।

কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ নিৰ্দেশনা জাৰি কৰাৰ ক্ষমতা।

১৮। কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে, এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতাৰ প্ৰয়োগ আৰু ইয়াৰ কৃত্যসমূহৰ সম্পাদনত আৰু শক্তিৰ কাৰ্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ বাবে লিখিত ভাৱে এনে নিৰ্দেশনাক, উচিত বুলি গণ্য কৰা দৰে, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে কোনো ব্যক্তি, পদাধিকাৰী, প্ৰাধিকাৰী বা কোনো পদাভিহিত উপভোক্তালৈ জাৰি কৰিব পাৰে আৰু এনে ব্যক্তি, পদাধিকাৰী বা প্ৰাধিকাৰী বা কোনো পদাভিহিত উপভোক্তাই এনে নিৰ্দেশনা পালন কৰিবলৈ বাধ্য হ'ব ।

**স্পষ্টীকৰণ** ——সন্দেহ বৰ্জনকৰণৰ বাবে, ইয়াক ইয়াৰ দ্বাৰা ঘোষিত কৰা হ'ল যে এই ধাৰাৰ অধীনত নিৰ্দেশনা জাৰী কৰাৰ ক্ষমতাই, নিম্নলিখিতসমূহক নিৰ্দেশ দিয়াৰ ক্ষমতাকো অন্তৰ্ভুক্ত কৰে ——

(ক) কোনো উদ্যোগ, ভৱন বা ভৱনৰ চৌহদত পদ্ধতিৰ নিৰিখ আৰু শক্তি ব্যয় মানদণ্ডৰ বিনিয়ম বা ;

(খ) আহিলা আৰু সা-সজুলিৰ বাবে শক্তি ব্যয় মানদণ্ডৰ বিনিয়ম।

## শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

### অধ্যায় ৭

### সংযোগ কাৰ্য্যালয়ৰ বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মঞ্জুৰী আৰু ঋণ।

১৯। কেন্দ্ৰীয় চৰকাৰে, এই মৰ্মে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা প্ৰণীত সম্যক বিনিয়োজনৰ পাচত সংযোগ কাৰ্য্যালয়লৈ বা ৰাজ্য চৰকাৰলৈ এনে ধন ৰাশি মঞ্জুৰ কৰিব আৰু ঋণ দিব যিদৰে কেন্দ্ৰীয় চৰকাৰে আৱশ্যক বিবেচনা কৰে ।

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিধিৰ স্থাপন ।

২০। (১) কেন্দ্ৰীয় শক্তি সংৰক্ষণ নিধি বুলি অভিহিত এটা নিধি গঠন কৰা হ'ব আৰু নিম্নলিখিতসমূহক তাত জমা কৰা হ'ব——

(ক) ধাৰা ১৯ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সংযোগ কাৰ্য্যালয়লৈ দিয়া কোনো মঞ্জুৰী আৰু ঋণ ;

(খ) এই অধিনিয়মৰ অধীনত সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা প্ৰাপ্ত সকলো মাচুল ;

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিশ্চিত কৰা দৰে এনে আন উৎসসমূহৰ পৰা সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা প্ৰাপ্ত সকলো ধনৰাশি ;

(২) নিধি, নিম্নলিখিতসমূহৰ পূৰণৰ বাবে প্ৰয়োগ কৰা হ'ব ——

(ক) সংযোগ কাৰ্য্যালয়ৰ মহানিৰ্দ্দেশক, সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ বেতন, ভাত্তা আৰু আন পাৰিতোষিক ;

(খ) ধাৰা ১৩ৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনত সংযোগ কাৰ্য্যালয়ৰ ব্যয় ;

(গ) ধাৰা ৪ৰ উপধাৰা (৫)ৰ অধীনত প্ৰশাসন পৰিষদৰ সদস্যসমূহক দিবলগীয়া মাচুল আৰু ভাত্তাসমূহ ;

(ঘ) এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত বিষয়বস্তু আৰু প্ৰয়োজনবোৰৰ বাবে ব্যয়সমূহ ।

সংযোগ কাৰ্য্যালয়ৰ ধাৰ লোৱাৰ ক্ষমতা ।

২১। (১) সংযোগ কাৰ্য্যালয়ে কেন্দ্ৰীয় চৰকাৰৰ সম্মতি সহ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইয়ালৈ দিয়া কোনো সাধাৰণ বা বিশেষ প্ৰাধিকাৰিতাৰ নিবন্ধন অনুসাৰে কোনো উৎসৰ পৰা টকা ধাৰ কৰিব পাৰে যিদৰে ই, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ সকলো বা কোনোটোৰ নিৰ্বহনৰ বাবে, উচিত গণ্য কৰে ।

(২) কেন্দ্ৰীয় চৰকাৰে, ই উচিত বুলি ভবা দৰে এনে ৰীতিত, উপধাৰা (১)ৰ অধীনত সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা ধাৰ লোৱা ঋণসমূহৰ সম্বন্ধত মূলধন পুনৰ আদায় আৰু ইয়াৰ ওপৰত সুতৰ প্ৰত্যাভূতি দিব পাৰে ।

বাজেট ।

২২। সংযোগ কাৰ্য্যালয়ে বিহিত কৰা দৰে প্ৰত্যেক বিত্তীয় বৰ্ষত এনে প্ৰপত্ৰত আৰু এনে সময়ত প্ৰাক্কালীন ৰচিদ আৰু সংযোগ কাৰ্য্যালয়ৰ ব্যয় দেখুৱাই পৰৱৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে ইয়াৰ বাজেট প্ৰস্তুত কৰিব আৰু সেইখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব ।

বাৰ্ষিক প্ৰতিবেদন ।

২৩। সংযোগ কাৰ্য্যালয়ে বিহিত কৰা দৰে প্ৰত্যেক বিত্তীয় বৰ্ষত এনে প্ৰপত্ৰত আৰু এনে সময়ত পৰৱৰ্ত্তী বিত্তীয় বৰ্ষত ইয়াৰ কাৰ্য্যকলাপৰ এটা সম্পূৰ্ণ হিচাপ দি ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ এটা প্ৰতিলিপি দাখিল কৰিব ।

বাৰ্ষিক প্ৰতিবেদন সংসদত উত্থাপন কৰা হ'ব।

২৪। কেন্দ্ৰীয় চৰকাৰে ধাৰা ২৩ত নিৰ্দ্দেশিত বাৰ্ষিক প্ৰতিবেদন, ইয়াৰ প্ৰাপ্তিৰ পিচত যথাশীঘ্ৰে প্ৰণয়ন কৰিবলৈ সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰিব ।

হিচাপ আৰু হিচাপ পৰীক্ষা ।

২৫। (১) সংযোগ কাৰ্য্যালয়ে, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শ কৰি কেন্দ্ৰীয় চৰকাৰে, বিহিত কৰা দৰে এনে প্ৰপত্ৰত সঠিক হিচাপসমূহ আৰু আন সুসঙ্গত অভিলেখ সংৰক্ষণ কৰিব আৰু হিচাপসমূহৰ এটা বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব ।

(২) সংযোগ কাৰ্য্যালয়ৰ হিচাপসমূহ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা, তেওঁৰ দ্বাৰা

বিনির্দিষ্ট কৰা দৰে এনে বিবৰিতত হিচাপ পৰীক্ষা কৰা হ'ব আৰু এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত উপগত কোনো ব্যয় ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষককলৈ সংযোগ কাৰ্য্যালয় দ্বাৰা দেয় হ'ব।

(৩) ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক আৰু সংযোগ কাৰ্য্যালয়ৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত তেওঁৰ দ্বাৰা নিযুক্ত কোনো আন ব্যক্তিৰ এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একে অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ চৰকাৰী হিচাপৰ হিচাপ পৰীক্ষণৰ সম্বন্ধত সাধাৰণতে থাকে, আৰু বিশেষতঃ বহী, হিচাপসমূহ, ইয়াৰ লগত জড়িত ভাউচাৰ আৰু আন দস্তাবেজ আৰু কাগজপত্ৰৰ পেচ কৰাৰ দাবী কৰিবলৈ আৰু সংযোগ কাৰ্য্যালয়ৰ কোনো কাৰ্য্যালয়ত পৰিদৰ্শন কৰাৰ অধিকাৰ থাকিব।

(৪) সংযোগ কাৰ্য্যালয়ৰ হিচাপসমূহ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক বা এই মৰ্মে তেওঁৰ দ্বাৰা নিযুক্ত আন কোনো ব্যক্তিৰ দ্বাৰা প্ৰমাণিত দৰে, তাৰ ওপৰত হিচাপ পৰীক্ষাৰ প্ৰতিবেদন সহ একেলগে কেন্দ্ৰীয় চৰকাৰলৈ বাৰ্ষিক ভাবে প্ৰেৰণ কৰা হ'ব আৰু সেই চৰকাৰে প্ৰত্যেক সংসদত সেইবোৰ উত্থাপিত কৰা বুলি কাৰিত কৰিব।

## অধ্যায় ৮

## অৰ্থদণ্ড আৰু ন্যায়নিৰ্ণয়

অৰ্থদণ্ড।

২৬। (১) যদি কোনো ব্যক্তি ধাৰা ১৪ৰ খণ্ড (গ) বা খণ্ড (ঘ) বা খণ্ড (জ) বা খণ্ড (ঝ) বা খণ্ড (ট) বা খণ্ড (ঠ) বা খণ্ড (দ) বা খণ্ড (ধ) বা ধাৰা ১৫ৰ খণ্ড (খ) বা খণ্ড (গ) বা খণ্ড (জ)ৰ উপবন্ধাৱলীৰ অনুপালন কৰিবলৈ অসফল হয়, তেওঁ অৰ্থদণ্ডৰ বাবে দায়ী হ'ব যিটো এনে প্ৰত্যেক অসফলতাৰ বাবে দহহাজাৰ টকাৰ অধিক নহব আৰু নিৰন্তৰ অসফলতাৰ ক্ষেত্ৰত অতিৰিক্ত অৰ্থদণ্ডৰ সৈতে যিটো প্ৰত্যেক দিনৰ বাবে এহেজাৰ টকালৈ বিস্তৃত হ'ব পাৰে যি সময়ছোৱাত এনে অসফলতা নিৰন্তৰ হৈ থাকে ঃ

পৰন্তু কোনো ব্যক্তি, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা পাঁচ বছৰৰ ভিতৰত অৰ্থদণ্ড আদায় দিবলৈ দায়ী নহব।

(২) এই অধিনিয়মৰ অধীনত দিবলগীয়া কোনো পৰিমাণ যদি আদায় দিয়া নহয়, উচুল কৰা হ'ব, যেনিবা ই ভূমি ৰাজহৰ বকেয়া আছিল।

ন্যায় নিৰ্ণয়ৰ ক্ষমতা।

২৭। (১) ধাৰা ২৬ৰ অধীনত ন্যায় নিৰ্ণয়ৰ প্ৰয়োজনাৰ্থে, ৰাজ্যিক আয়োগে, কোনো অৰ্থদণ্ড আৰোপিত কৰাৰ প্ৰয়োজনাৰ্থে শুনানীৰ যুক্তিসঙ্গত সুযোগ কোনো সংশ্লিষ্ট ব্যক্তিক দিয়াৰ পিচত, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে ৰীতিত কোনো তদন্ত কৰাৰ বাবে ন্যায়নিৰ্ণয় পদাধিকাৰী হোৱা ইয়াৰ সদস্যসমূহৰ কোনোজনক নিযুক্তি দিব পাৰে।

(২) যেতিয়া কোনো তদন্ত চলি থাকে ন্যায়নিৰ্ণয় পদাধিকাৰীৰ কোনো সাক্ষ্য দিবলৈ বা দস্তাবেজ পেচ কৰিবলৈ গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ সৈতে অৱগত কোনো ব্যক্তিক চমন দিবলৈ আৰু উপস্থিতি বলবৎ কৰিবলৈ ক্ষমতা থাকিব যিটো ন্যায়নিৰ্ণয় পদাধিকাৰীৰ মতত তদন্তৰ বিষয়বস্তুৰ হিতকাৰী বা আনুষঙ্গিক হ'ব পাৰে, আৰু যদি এনে তদন্তত তেওঁ সন্তুষ্ট হয় যে ব্যক্তিজন, ধাৰা ২৬ত বিনিৰ্দিষ্ট ধাৰাবোৰৰ খণ্ডসমূহৰ কোনোটোৰ উপবন্ধবোৰ অনুপালন কৰিবলৈ অসফল হৈছে, তেওঁ উচিত বুলি ভবা দৰে সেই ধাৰাৰ সেই খণ্ডসমূহৰ কোনো উপবন্ধাৱলীৰ অনুসৰণত, এনে অৰ্থদণ্ড আৰোপ কৰিব পাৰে ঃ

পৰন্তু য'ত এখন ৰাজ্যিক আয়োগ কোনো ৰাজ্যত স্থাপিত হোৱা নাই, সেই ৰাজ্যৰ চৰকাৰে, এই ধাৰাৰ প্ৰয়োজনাৰ্থে এজন ন্যায়নিৰ্ণয় পদাধিকাৰী হবলৈ সেই ৰাজ্যত বিধিক কামকাজবোৰ সংব্যৱহাৰ কৰা এজন সচিবৰ সমপৰ্য্যায়ৰ পদমৰ্য্যাদাৰ নিম্নতৰ নোহোৱা ইয়াৰ পদাধিকাৰীৰ কোনোটোক নিযুক্তি দিব আৰু এনে পদাধিকাৰী, সেই ৰাজ্যত ইয়াৰ স্থাপনত ৰাজ্যিক আয়োগৰ দ্বাৰা কোনো ন্যায়নিৰ্ণয় পদাধিকাৰীৰ নিযুক্তিৰ ওপৰত শীঘ্ৰেই এজন ন্যায়নিৰ্ণয় পদাধিকাৰী হোৱাৰ অন্ত পৰিব ঃ

উপৰন্তু য'ত ৰাজ্য চৰকাৰৰ দ্বাৰা নিযুক্ত এজন ন্যায়নিৰ্ণয় পদাধিকাৰীৰ ন্যায়নিৰ্ণয় পদাধিকাৰী হোৱাৰ

অন্ত পৰে, তেওঁ ৰাজ্যিক আয়োগৰ দ্বাৰা নিযুক্ত ন্যায়নিৰ্ণয় পদাধিকাৰীলৈ তেওঁৰ দ্বাৰা ন্যায়নিৰ্ণীত সকলো বিষয় অন্তৰণ কৰিব আৰু তাৰ পিচত ৰাজ্যিক আয়োগৰ দ্বাৰা নিযুক্ত ন্যায়নিৰ্ণয় পদাধিকাৰীয়ে এনে বিষয়সমূহৰ ওপৰত অৰ্থদণ্ড ন্যায়নিৰ্ণয় কৰিব ।

ন্যায়নিৰ্ণায়ক পদাধিকাৰীৰ দ্বাৰা বিবেচনাত লবলগীয়া উপাদানসমূহ।

২৮। যেতিয়া ধাৰা ২৬ৰ অধীনত অৰ্থদণ্ডৰ পৰিমাণৰ ন্যায়নিৰ্ণয় চলি থাকে, ন্যায়নিৰ্ণয় পদাধিকাৰীৰ নিম্ন লিখিত উপাদানৰ প্ৰতি সম্যক লক্ষ্য থাকিব, অৰ্থাৎ ঃ—

(ক) ব্যতিক্ৰমৰ ফলস্বৰূপে হোৱা সামঞ্জস্যহীন লাভৰ পৰিমাণৰ বা অসৎ সুবিধা, য'তেই পৰিসংখ্যানীয়, হয় ;

(খ) ব্যতিক্ৰমৰ পুনৰাবৃত্তিৰ লক্ষণ ।

চিভিল ন্যায়ালয়ৰ অধিকাৰিতা নাথাকিব ।

২৯। কোনো চিভিল ন্যায়ালয়ৰ কোনো বিষয়ৰ সম্বন্ধত কোনো বাদ বা কাৰ্য্যবাহী গ্ৰহণ কৰিবলৈ অধিকাৰিতা নাথাকিব, যিটো এই অধিনিয়মৰ বা আপীল ন্যায়াধিকৰণৰ অধীনত নিযুক্ত ন্যায়নিৰ্ণয় পদাধিকাৰীক অৱধাৰিত কৰিবলৈ এই অধিনিয়মৰ দ্বাৰা বা অধীনত ক্ষমতাৰ্পিত কৰা হয় আৰু কোনো নিষেধাজ্ঞা এই অধিনিয়মৰ দ্বাৰা বা অধীনত অৰ্পিত কোনো ক্ষমতাৰ অনুসৰণত লোৱা বা লবলগীয়া কোনো কাৰ্য্যৰ সম্বন্ধত কোনো ন্যায়ালয় বা আন প্ৰাধিকাৰীৰ দ্বাৰা মঞ্জুৰ কৰা নহব ।

## অধ্যায় ৯

## শক্তিৰ সংৰক্ষণৰ বাবে আপীল ন্যায়ধিকৰণ

আপীল ন্যায়ধিকৰণৰ স্থাপন।

৩০। কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ অধীনত ন্যায়নিৰ্ণয় পদাধিকাৰী বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা কোনো আন প্ৰাধিকাৰীৰ আদেশসমূহৰ বিৰুদ্ধে আপীলৰ শুনানী লবলৈ শক্তি সংৰক্ষণৰ বাবে আপীল ন্যায়াধিকৰণ বুলি জ্ঞাত এখন আপীল ন্যায়াধিকৰণ স্থাপন কৰিব ।

আপীল ন্যায়াধিকৰণলৈ আপীল।

৩১। (১) এই অধিনিয়মৰ অধীনত এজন ন্যায়নিৰ্ণয় পদাধিকাৰী বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা আন কোনো প্ৰাধিকাৰীৰ দ্বাৰা প্ৰণীত কোনো আদেশত ক্ষোভিত কোনো ব্যক্তিয়ে শক্তি সংৰক্ষণৰ বাবে আপীল ন্যায়াধিকৰণলৈ আপীল কৰিব পাৰে ঃ

পৰন্তু কোনো অৰ্থদণ্ড উদ্‌গ্ৰহণ কৰা ন্যায়নিৰ্ণয় পদাধিকাৰীৰ আদেশৰ বিৰুদ্ধে আপীল কৰা কোনো ব্যক্তিয়ে যেতিয়া আপীল দাখিল কৰে এনে অৰ্থদণ্ডৰ পৰিমাণ জমা দিব ঃ

উপৰন্তু য'ত কোনো বিশেষ গোচৰত আপীল ন্যায়ালয়ৰ এই মত হয় যে এনে অৰ্থদণ্ডৰ জমাকৰণে এনে ব্যক্তিক অযথা কষ্ট দিব, আপীল ন্যায়ালয়ে এনে চৰ্ত্ত সাপেক্ষে এনে জমাৰ অব্যাহতি দিব পাৰে যিদৰে এনে অৰ্থদণ্ডৰ উপলব্ধিকৰণৰ সুৰক্ষাৰ বিষয়ে আৰোপিত কৰিবলৈ উচিত বুলি গণ্য কৰে ।

(২) উপধাৰা (১)ৰ অধীনত প্ৰত্যেক আপীল, এনে তাৰিখৰ পৰা পঞ্চলিছ দিন কালৰ ভিতৰত দাখিল কৰা হ'ব যি তাৰিখত ন্যায়নিৰ্ণয় পদাধিকাৰী বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা আন কোনো প্ৰাধিকাৰীৰ দ্বাৰা প্ৰণীত আদেশৰ প্ৰতিলিপি, ক্ষোভিত ব্যক্তিৰ দ্বাৰা প্ৰাপ্ত কৰা হয় আৰু ই এনে প্ৰপত্ৰত, এনে ৰীতিত প্ৰমাণীকৃত হ'ব আৰু এনে মাচুলৰ লগত গাঠি দিয়া হ'ব , যেনেদৰে বিহিত কৰা হয় ঃ

পৰন্তু আপীল ন্যায়াধিকৰণে উক্ত পঞ্চলিছ দিন কালৰ অৱসানৰ পিচত আপীল গ্ৰহণ কৰিব পাৰে যদি ই সন্তুষ্ট হয় যে উক্ত কালৰ ভিতৰত আপীল দাখিল নকৰাৰ পৰ্য্যাপ্ত কাৰণ আছিল ।

(৩) উপধাৰা (১)ৰ অধীনত এটা আপীলৰ প্ৰাপ্তিত, আপীল ন্যায়াধিকৰণে, পক্ষসমূহলৈ আপীলৰ শুনানীৰ সুযোগ দিয়াৰ পিচত, ইয়াৰ ওপৰত, উচিত বুলি ভৱা দৰে, আপীল কৰা আদেশ দৃঢ় কৰিব, ৰূপান্তৰ কৰি বা ৰদ কৰি এনে আদেশ পাৰিত কৰিব পাৰে ।

(৪) আপীল ন্যায়াধিকৰণে ইয়াৰ দ্বাৰা কৰা প্ৰত্যেক আদেশৰ একোটা প্ৰতিলিপি পক্ষসমূহলৈ আৰু সংশ্লিষ্ট ন্যায়নিৰ্ণয় পদাধিকাৰী বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা আন কোনো প্ৰাধিকাৰীলৈ প্ৰেৰণ কৰিব ।

# শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

(৫) উপধাৰা (১)ৰ অধীনত আপীল ন্যায়াধিকৰণত দাখিল কৰা আপীল ইয়াৰ দ্বাৰা যিমান সম্ভৱ শীঘ্ৰে সংবাৱহৃত কৰা হ'ব আৰু আপীল প্ৰাপ্তিৰ তাৰিখৰ পৰা এশ আশী দিনৰ ভিতৰত চূড়ান্তভাৱে আপীলৰ নিষ্পত্তি কৰিবলৈ ইয়াৰ দ্বাৰা প্ৰয়াস কৰা হ'ব ঃ

পৰন্তু য'ত কোনো আপীল এশ আশী দিনৰ উক্ত কালৰ ভিতৰত নিষ্পত্তি কৰিব নোৱাৰি, আপীল ন্যায়াধিকৰণে, উক্ত কালৰ ভিতৰত আপীল নিষ্পত্তি নকৰাৰ বাবে লিখিতভাৱে ইয়াৰ কাৰণসমূহ অভিলেখিত কৰিব।

(৬) আপীল ন্যায়াধিকৰণে, এই অধিনিয়মৰ অধীনত, ন্যায়নিৰ্ণয় পদাধিকাৰী বা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা যথাস্থিতি আন কোনো প্ৰাধিকাৰীৰ দ্বাৰা প্ৰণীত কোনো আদেশৰ ন্যায্যতা, ঔচিত্য বা শুদ্ধতা পৰীক্ষা কৰাৰ প্ৰয়োজনাৰ্থে কোনো কাৰ্যবাহীৰ সম্পৰ্কে নিজা ৰীতিত বা অন্যথা এনে কাৰ্যবাহীৰ সকলো অভিলেখ বিচাৰিব পাৰে আৰু গোচৰত এনে আদেশ কৰিব পাৰে যিদৰে ই উচিত বুলি ভাৱে।

**আপীল ন্যায়াধিকৰণৰ গঠন।**

৩২। (১) আপীল ন্যায়াধিকৰণ, এজন অধ্যক্ষ আৰু চাৰিজনৰ অনধিক এনে সংখ্যক সদস্যেৰে গঠিত হব যিদৰে কেন্দ্ৰীয় চৰকাৰে উচিত গণ্য কৰে।

(২) এই অধিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে —

(ক) আপীল ন্যায়াধিকৰণৰ অধিকাৰিতা ইয়াৰ ন্যায়পীঠসমূহৰ দ্বাৰা কাৰ্যকৰী হ'ব ;

(খ) এখন ন্যায়পীঠ, আপীল ন্যায়ধিকৰণৰ দুই বা তাতোধিক সদস্যসহ আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ দ্বাৰা গঠিত হ'ব পাৰে যিদৰে আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই উচিত গণ্য কৰে ঃ

পৰন্তু এই খণ্ডৰ অধীনত গঠিত প্ৰত্যেক ন্যায়পীঠে অন্ততঃ এজন ন্যায়িক দণ্ডাধীশ আৰু এজন কাৰিকৰী সদস্য অন্তৰ্ভুক্ত কৰিব ;

(গ) আপীল ন্যায়াধিকৰণৰ ন্যায়পীঠসমূহ সাধাৰণতে দিল্লীত আৰু এনে আন স্থানসমূহত বহিব যিদৰে কেন্দ্ৰীয় চৰকাৰে, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ পৰামৰ্শত, অধিসূচিত কৰে ;

(ঘ) কেন্দ্ৰীয় চৰকাৰে এলেকাসমূহ অধিসূচিত কৰিব যিবোৰৰ সম্পৰ্কত আপীল ন্যায়াধিকৰণৰ প্ৰত্যেক ন্যায়পীঠে অধিকাৰিতা কাৰ্যকৰী কৰিব পাৰে ;

(৩) উপধাৰা (২)ত কোনো কথা থকা সত্ত্বেও, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই এখন ন্যায়পীঠৰ পৰা আন এখন ন্যায়পীঠলৈ আপীল ন্যায়াধিকৰণৰ এজন সদস্যক অন্তৰণ কৰিব পাৰে।

**স্পষ্টীকৰণ** — এই অধ্যায়ৰ প্ৰয়োজনাৰ্থে,—

(i) ''ন্যায়িক সদস্য'' মানে ধাৰা ৩৩ৰ উপধাৰা (১)ৰ খণ্ড (খ)ৰ সূচী (i) বা সূচী (ii)ৰ অধীনত এনেদৰে নিযুক্ত আপীল ন্যায়াধিকৰণৰ সদস্য, আৰু ই, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(ii) ''কাৰিকৰী সদস্য'' মানে ধাৰা ৩৩ৰ উপধাৰা (১)ৰ খণ্ড (খ) ৰ সূচী (iii) বা সূচী (iv) বা সূচী (v) বা সূচী (vi) অধীনত এনেদৰে নিযুক্ত আপীল ন্যায়াধিকৰণৰ কোনো সদস্য ;

**আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু সদস্যসমূহৰ নিযুক্তিৰ বাবে অৰ্হতাসমূহ।**

৩৩। (১) কোনো ব্যক্তি আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ সদস্যৰূপে নিযুক্তিৰ বাবে যোগ্য নহব যদিহে —

(ক) আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ ক্ষেত্ৰত, উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশ বা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নহয় বা হোৱা নাই ; আৰু

(খ) আপীল ন্যায়াধিকৰণৰ সদস্যৰ ক্ষেত্ৰত —

(i) এখন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নহয় বা হোৱা নাই বা যোগ্য নহয় ; বা

(ii) ভাৰতীয় বিধিক সেৱাৰ এজন সদস্য নহয় বা হোৱা নাই আৰু কমেও তিনি বছৰৰ বাবে সেই সেৱাৰ প্ৰথম শ্ৰেণীৰ পদ ধাৰণ কৰা নাই ; বা

(iii) শক্তি বা কয়লা বা পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বা পাৰমাণৱিক শক্তিৰ সৈতে সংব্যৱহৃত হোৱা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগত কমেও এবছৰৰ বাবে কোনো সচিব নহয় বা হোৱা নাই ; বা

(iv) কমেও এবছৰৰ বাবে কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণৰ অধ্যক্ষ নহয় বা হোৱা নাই ; বা

(v) কমেও তিনি বছৰৰ বাবে সংযোগ কাৰ্য্যালয়ৰ মহা নিৰ্দ্দেশক বা কেন্দ্ৰীয় শক্তি গৱেষণা প্ৰতিষ্ঠান বা ভাৰতীয় মানকৰ সংযোগ কাৰ্য্যালয়ৰ মহা নিৰ্দ্দেশক নহয় বা হোৱা নাই বা কমেও তিনি বছৰৰ বাবে সমকক্ষ পদধাৰণ কৰা নাই ; বা

(vi) শক্তি, উৎপাদন আৰু যোগান, শক্তিৰ ব্যৱস্থাপন, মানাকৰণ আৰু শক্তিৰ কাৰ্য্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ সম্পৰ্কিত বিষয়সমূহৰ সৈতে সংব্যৱহৃত সম্যক জ্ঞান আৰু অভিজ্ঞতা থকা, কৰ্মনিপুণ আৰু প্ৰতিষ্ঠিত কাৰিকৰী ব্যক্তি নহয় বা হোৱা নাই আৰু অভিযান্ত্ৰিক, বিত্ত, বাণিজ্য, অৰ্থনীতি, বিধি বা ব্যৱস্থাপনৰ লগত সম্পৰ্কিত সমস্যাসমূহৰ সৈতে সংব্যৱহৃত সক্ষমতা দেখুওৱা নাই ।

পদাৱধি । ৩৪। আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ প্ৰত্যেক সদস্যই এনে তাৰিখৰ পৰা পাঁচ বছৰ কালৰ বাবে পদধাৰণ কৰিব যি তাৰিখত তেওঁ পদত প্ৰৱিষ্ট হয় ঃ

পৰন্তু আপীল ন্যায়াধিকৰণৰ কোনো অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ কোনো সদস্যই নিম্নলিখিতবোৰ প্ৰাপ্ত কৰাৰ পিচত এনে ধৰণে পদ ধাৰণ নকৰিব, ——

(ক) আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ ক্ষেত্ৰত, সত্তৰ বছৰ বয়স ;

(খ) আপীল ন্যায়াধিকৰণৰ কোনো সদস্যৰ ক্ষেত্ৰত, পয়ষষ্ঠি বছৰ বয়স ।

সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী । ৩৫। আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ সদস্যক দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলীৰ এনে হ'ব যিদৰে বিহিত কৰা হয় ঃ

পৰন্তু আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ সদস্যৰ বেতন আৰু ভাত্তাসমূহ নাইবা সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী, নিযুক্তি দিয়াৰ পিচত তেওঁৰ অপহিতত পৰিৱৰ্ত্তন কৰা নহব ।

পদৰিক্তি । ৩৬। যদি অস্থায়ী উপস্থিতিৰ ভিন্ন কোনো কাৰণৰ বাবে, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ সদস্যৰ সেৱাৰ কাৰ্য্যালয়ত কোনো পদৰিক্তি ঘটে, কেন্দ্ৰীয় চৰকাৰে পদৰিক্তি পূৰণ কৰিবলৈ এই অধিনিয়মৰ উপবন্ধৰ অনুসৰণত আন ব্যক্তিক নিযুক্তি দিব আৰু পদৰিক্তি পূৰণ কৰা অৱস্থাৰ পৰা আপীল ন্যায়াধিকৰণত কাৰ্য্যবাহী চলি থাকিব ।

পদত্যাগ আৰু অপসাৰণ । ৩৭। (১) আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা এজন সদস্যই কেন্দ্ৰীয় চৰকাৰলৈ সম্বোধিত কৰি লিখিতভাৱে তেওঁৰ নিজা হস্তাক্ষৰেৰে সূচনাৰ দ্বাৰা তেওঁ পদ ত্যাগ কৰিব পাৰে ঃ

পৰন্তু আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ এজন সদস্যক যদিহে তেওঁক সোনকালেই পদ এৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমতি দিয়া নহয়, এনে সূচনা প্ৰাপ্তিৰ তাৰিখৰ পৰা তিনিমাহ অৱসান নোহোৱালৈকে বা তেওঁৰ পদত তেওঁৰ উত্তৰাধিকাৰী ব্যক্তিৰূপে সম্যকভাৱে নিযুক্তি নিদিয়ালৈকে, বা তেওঁৰ পদৰ কাল সমাপ্তি নোহোৱালৈকে তেওঁ পদ ধাৰণ কৰি থাকিব, যিটোৱেই আগতীয়া হয় ।

(২) আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ সদস্যক ৰাষ্ট্ৰপতিৰ দ্বাৰা এনে প্ৰয়োজনাৰ্থে নিয়োগ কৰা ব্যক্তিৰ তদন্তৰ পিচত প্ৰমাণিত অসদাচৰণ আৰু অসমৰ্থতাৰ আধাৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কোনো আদেশৰ ব্যতিৰেকে পদৰ পৰা অপসাৰিত কৰা নহব, যিটোত সংশ্লিষ্ট আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা সদস্যক তেওঁৰ বিৰুদ্ধে দোষাৰোপৰ সূচনা দিয়া হয়, আৰু এনে দোষাৰোপৰ সম্বন্ধত শুনানীৰ এটা যুক্তিযুক্ত সুযোগ দিয়া হয় ।

কেতবোৰ পৰিস্থিতিত সদস্যই অধ্যক্ষৰূপে কাৰ্য্য কৰিব । ৩৮। (১) আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ পদ তেওঁৰ মৃত্যু, পদত্যাগৰ ফলত বা অন্যথা, পদৰিক্তি হোৱাত আপীল ন্যায়াধিকৰণৰ জ্যেষ্ঠতম সদস্যই আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰূপে কাৰ্য্য কৰিব যেতিয়ালৈকে যি তাৰিখত তেওঁৰ পদ পূৰণ কৰিবলৈ এই অধিনিয়মৰ উপবন্ধসমূহৰ অনুসৰণত নিযুক্ত নতুন অধ্যক্ষই পদত প্ৰৱিষ্ট নহয় ।

(২) যেতিয়া আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই অনুপস্থিতি, অসুস্থতা বা আন কোনো কাৰণত তেওঁ কৃত্যসমূহ নিৰ্বহন কৰিবলৈ অসমৰ্থ হয়, আপীল ন্যায়াধিকৰণৰ জ্যেষ্ঠতম সদস্যই আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ কৃত্যসমূহ নিৰ্বহন কৰিব যেতিয়ালৈকে যি তাৰিখত আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই তেওঁৰ কৰ্ত্তব্যসমূহ পুনৰ আৰম্ভ নকৰে।

আপীল ন্যায়াধিকৰণৰ কৰ্মচাৰীবৃন্দ।

৩৯। (১) কেন্দ্ৰীয় চৰকাৰে, আপীল ন্যায়াধিকৰণক এনে পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দৰ সৈতে উপবন্ধিত কৰিব, যিদৰে ই উচিত গণ্য কৰে।

(২) আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু যথাস্থিতি কৰ্মচাৰীবৃন্দই আপীল ন্যায়াধিকৰণৰ অধ্যক্ষৰ সাধাৰণ অধীক্ষণৰ অধীনত তেওঁলোকৰ কৃত্যসমূহ নিৰ্বহন কৰিব।

(৩) আপীল ন্যায়াধিকৰণৰ বেতন আৰু ভাত্তাসমূহ আৰু পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দৰ সেৱাৰ আন চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

আপীল ন্যায়াধিকৰণৰ প্ৰক্ৰিয়া আৰু ক্ষমতা। ১৯০৮ৰ ৫ ১৯০৮ৰ ৫

৪০। (১) আপীল ন্যায়াধিকৰণ, চিভিল প্ৰক্ৰিয়া সংহিতা ১৯০৮ৰ দ্বাৰা প্ৰণীত প্ৰক্ৰিয়াৰ দ্বাৰা আবদ্ধ নহব কিন্তু নৈসৰ্গিক নীতিৰ দ্বাৰা পৰিচালিত হ'ব আৰু এই অধিনিয়মৰ আন উপবন্ধাৱলীৰ সাপেক্ষে আপীল ন্যায়াধিকৰণৰ ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰিবলৈ ক্ষমতা থাকিব।

(২) আপীল ন্যায়াধিকৰণৰ, এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ অধীনত চিভিল ন্যায়ালয়ত ন্যস্ত কৰা দৰে একে ক্ষমতা থাকিব, যেতিয়া নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত কোনো বাদৰ বিচাৰ চলি থাকে, অৰ্থাৎ ঃ—

(ক) কোনো ব্যক্তিক চমন কৰা আৰু উপস্থিতি বলবৎ কৰা আৰু শপতৰ ওপৰত তেওঁক পৰীক্ষা কৰা ;

(খ) দস্তাবেজৰ উদ্ভাৱন আৰু পেচ অপেক্ষা কৰা ;

(গ) শপত পত্ৰত সাক্ষ্য গ্ৰহণ কৰা ;

১৮৭২ ৰ ১

(ঘ) ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ৰ ধাৰা ১২৩ আৰু ১২৪ৰ উপবন্ধাৱলীৰ সাপেক্ষে কোনো কাৰ্য্যালয়ৰ পৰা কোনো ৰাজহুৱা অভিলেখ বা দস্তাবেজ, বা এনে অভিলেখ বা দস্তাবেজৰ প্ৰতিলিপি অধিগ্ৰহণ কৰা ;

(ঙ) সাক্ষী বা দস্তাবেজসমূহৰ পৰীক্ষা কৰাৰ বাবে কমিচন জাৰী কৰা ;

(চ) ইয়াৰ বিনিশ্চয়ৰ পুনৰীক্ষণ কৰা ;

(ছ) ত্ৰুটীৰ এখন নিবেদন খাৰিজ কৰা বা ইয়াক একপক্ষীয়ভাবে বিনিশ্চয় কৰা ;

(জ) খাৰিজ কৰা কোনো আদেশ বা ত্ৰুটীৰ বাবে কৰা কোনো নিবেদন বা ইয়াৰ দ্বাৰা পাৰিত একপক্ষীয় আদেশৰ ৰদকৰণ ;

(ঝ) আন কোনো বিষয় যিটো কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰিব পাৰে ।

(৩) এই অধিনিয়মৰ অধীনত আপীল ন্যায়াধিকৰণৰ দ্বাৰা প্ৰণীত কোনো আদেশ, আপীল ন্যায়াধিকৰণৰ দ্বাৰা চিভিল ন্যায়ালয়ৰ এটা ডিক্ৰীৰূপে নিষ্পাদন যোগ্য হ'ব আৰু এনে প্ৰয়োজনাৰ্থে আপীল ন্যায়াধিকৰণৰ, এখন চিভিল ন্যায়ালয়ৰ সকলো ক্ষমতা থাকিব।

(৪) উপধাৰা (৩)ত কোনো কথা থকা সত্বেও, আপীল ন্যায়াধিকৰণে স্থানীয় অধিকাৰিতা থকা এখন চিভিল ন্যায়ালয়লৈ ইয়াৰ দ্বাৰা প্ৰণীত কোনো আদেশ প্ৰেৰণ কৰিব পাৰে আৰু এনে চিভিল ন্যায়ালয়ে আদেশ নিষ্পাদন কৰিব যেনিবা ই, সেই ন্যায়ালয়ৰ দ্বাৰা প্ৰণীত এটা ডিক্ৰীহে আছিল।

১৮৬০ ৰ ৪৫ ১৯৭৪ ৰ ২

(৫) আপীল ন্যায়াধিকৰণৰ সকলো কাৰ্য্যবাহীক, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ১৯৩ আৰু ২২৮ৰ অৰ্থৰ ভিতৰত ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হ'ব আৰু আপীল ন্যায়াধিকৰণক, দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ৩৪৫ আৰু ৩৪৬ ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য কৰা হ'ব।

ন্যায়পীঠসমূহৰ মাজত কামকাজৰ বিতৰণ।

৪১। য'ত ন্যায়পীঠবোৰ গঠন কৰা হৈছে, আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই সময়ে সময়ে, অধিসূচনাৰ দ্বাৰা, ন্যায়পীঠসমূহৰ মাজত আপীল ন্যায়াধিকৰণৰ কাম কাজৰ বিতৰণৰ বিষয়ে উপবন্ধাৱলীৰ প্ৰণয়ন কৰিব পাৰে আৰু বিষয়সমূহৰ বাবেও উপবন্ধ কৰিব পাৰে যিবোৰ প্ৰত্যেক ন্যায়পীঠৰ দ্বাৰা সংব্যৱহৃত হয়।

অধ্যক্ষৰ গোচৰ অন্তৰণ কৰাৰ ক্ষমতা।

৪২। পক্ষসমূহৰ যি কোনোটোৰ আবেদনত আৰু পক্ষসমূহলৈ সূচনা দিয়াৰ পিচত আৰু সেইবোৰৰ এনে শুনানীৰ পিচত, যিদৰে তেওঁ শুনানীৰ বাবে ইচ্ছা কৰে বা এনে সূচনা বিনা তেওঁৰ স্বপ্রেৰণাত আপীল ন্যায়াধিকৰণৰ অধ্যক্ষই, কোনো আন ন্যায়পীঠলৈ, নিস্পত্তিৰ বাবে এখন ন্যায়পীঠত লম্বিত কোনো গোচৰ অন্তৰণ কৰিব পাৰে।

সংখ্যা গৰিষ্ঠতাৰ দ্বাৰা লবলগীয়া বিনিশ্চয়।

৪৩। যদি দুজন সদস্যৰে গঠিত এখন ন্যায়পীঠৰ আপীল ন্যায়াধিকৰণৰ সদস্যসমূহৰ, কোনো যুক্তিৰ মতত মতানৈক্য হয়, তেতিয়া তেওঁলোকে সেই যুক্তি বা যুক্তিবোৰৰ বিবৃতি দিব যিবোৰত তেওঁলোকৰ মতানৈক্য হয়, আৰু আপীল ন্যায়াধিকৰণৰ অধ্যক্ষক এটা প্রসঙ্গ নির্দ্দেশ কৰিব যিজনে নিজে যুক্তি বা যুক্তিবোৰ শুনিব বা আপীল ন্যায়াধিকৰণৰ আন সদস্যসমূহৰ এজন বা তাতোধিকৰ দ্বাৰা এনে যুক্তি বা যুক্তিবোৰৰ শুনানীৰ বাবে গোচৰ প্রেৰণ কৰিব আৰু এনে যুক্তি বা যুক্তিবোৰ আপীল ন্যায়াধিকৰণৰ সদস্যসমূহৰ সংখ্যাগৰিষ্ঠতাৰ মত অনুসাৰে বিনিশ্চিত কৰা হব যিসকলে, প্রথমতে গোচৰটো শুনাসকলক অন্তর্ভুক্ত কৰি গোচৰটো শুনিছে।

উপস্থাপন পদাধিকাৰীক নিয়োগ কৰিবলৈ বিধিক ব্যৱসায়ী বা প্রত্যর্পিত হিচাপ পৰীক্ষকআৰু চৰকাৰৰ সহায়তা লবলৈ আপীলকাৰীৰ অধিকাৰ।

৪৪। (১) এই অধিনিয়মৰ অধীনত আপীল ন্যায়াধিকৰণলৈ আপীল কৰা এজন ব্যক্তিয়ে আপীল ন্যায়াধিকৰণত তেওঁৰ গোচৰটো উপস্থাপন কৰিবলৈ হয় ব্যক্তিগত ভাৱে হাজিৰ হব বা এজন বিধিক ব্যৱসায়ীৰ বা যথাস্থিতি তেওঁৰ বাচনিৰ এজন প্রত্যর্পিত শক্তি হিচাপ পৰীক্ষকৰ সহায়তা লব।

(২) কেন্দ্রীয় চৰকাৰ বা ৰাজ্য চৰকাৰে এজন বা ততোধিক বিধিক ব্যৱসায়ী বা ইয়াৰ কোনো পদাধিকাৰীক উপস্থাপন পদাধিকাৰী ৰূপে কাম কৰিবলৈ প্রাধিকৃত কৰিব পাৰে আৰু এনেদৰে প্রাধিকৃত প্রত্যেক ব্যক্তিয়ে যথাস্থিতি আপীল ন্যায়াধিকৰণত কোনো আপীলৰ সম্বন্ধত গোচৰ উপস্থাপন কৰিব পাৰে।

উচ্চতম ন্যায়ালয়লৈ কৰা আপীল।

৪৫। আপীল ন্যায়াধিকৰণৰ কোনো বিনিশ্চয় বা আদেশৰ দ্বাৰা ক্ষোভিত কোনো ব্যক্তিয়ে, তেওঁলৈ আপীল ন্যায়াধিকৰণৰ বিনিশ্চয় বা আদেশ প্রেৰণ কৰা তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত চিভিল প্রক্রিয়া সংহিতা, ১৯০৮ৰ ধাৰা ১০০ত বিনির্দ্দিষ্ট কোনো এটা বা তাতোধিক আধাৰৰ ওপৰত উচ্চতম ন্যায়ালয়লৈ আপীল দাখিল কৰিব পাৰে ঃ

১৯০৮ৰ ৫

পৰন্তু উচ্চতম ন্যায়ালয়ে, যদি সন্তুষ্ট হয় যে আপীলকাৰীয়ে, উক্ত কালৰ ভিতৰত আপীল দাখিল কৰিবলৈ পর্য্যাপ্ত কাৰণৰ দ্বাৰা বাধাপ্রাপ্ত হৈছিল, ষাঠি দিনৰ অনধিক এটা অতিৰিক্ত কালৰ ভিতৰত দাখিল কৰিবলৈ ইয়াক অনুমতি দিব পাৰে।

## অধ্যায় ১০

## বিবিধ

কেন্দ্রীয় চৰকাৰৰ সংযোগ কার্য্যালয়লৈ নির্দ্দেশনা জাৰী কৰাৰ ক্ষমতা।

৪৬। (১) এই অধিনিয়মৰ পূৰ্বগামী উপবন্ধাৱলীৰ ওপৰত প্রতিকূল প্রভাৱ নেপেলোৱাকৈ সংযোগ কার্য্যালয়ে এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতাসমূহৰ প্রয়োগ বা ইয়াৰ কৃত্যসমূহৰ সম্পাদনত নীতিগত প্রশ্নৰ ওপৰত এনে নির্দ্দেশনাসমূহৰ দ্বাৰা আবদ্ধ থাকিব যিদৰে কেন্দ্রীয় চৰকাৰে ইয়ালৈ সময়ে সময়ে, লিখিতভাৱে দিয়ে ঃ

পৰন্তু সংযোগ কার্য্যালয়ক যিমানদূৰ প্রয়োগসাধ্য হয় এই উপধাৰাৰ অধীনত দিয়া কোনো নির্দ্দেশনাৰ পূৰ্বে ইয়াৰ মতবোৰ অভিব্যক্ত কৰিবলৈ সুযোগ দিয়া হ'ব ।

(২) কেন্দ্রীয় চৰকাৰৰ বিনিশ্চয়ৰ প্রশ্নটো আঁচনিৰ এটা হওঁক বা নহওঁক, চূড়ান্ত হ'ব।

সংযোগ কার্য্যালয় অধিক্রমণ কৰিবলৈ কেন্দ্রীয় চৰকাৰৰ ক্ষমতা।

৪৭। (১) যদি কোনো সময়তে কেন্দ্রীয় চৰকাৰৰ মত হয় যে—

(ক) গুৰুতৰ সঙ্কট অৱস্থাৰ কাৰণত সংযোগ কার্য্যালয়, এই অধিনিয়মৰ উপৱন্ধাৱলীৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৃত্য আৰু কর্ত্তব্যসমূহ নির্বহন কৰিবলৈ অসমর্থ হয় ; বা

(খ) সংযোগ কাৰ্য্যালয়, এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা কোনো নিৰ্দেশনা অনুপালন কৰাত বা এই অধিনিয়মৰ উপবন্ধাৱলীৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৰা কৃত্যসমূহ আৰু কৰ্তব্যসমূহৰ নিৰ্বহনত দীৰ্ঘদিন ধৰি ত্ৰুটী কৰে আৰু এনে ত্ৰুটীৰ ফলত, সংযোগ কাৰ্য্যালয়ৰ বিত্তীয় অৱস্থাৰ অৱনতি হয় বা সংযোগ কাৰ্য্যালয়ৰ প্ৰশাসনৰ অৱনতি হয় ; বা

(গ) বিদ্যমান পৰিস্থিতিবোৰ যিবোৰে, ৰাজহুৱা স্বাৰ্থত এনে কৰিবলৈ আৱশ্যক দেখুৱায়, কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা ছয় মাহৰ অনধিক যিদৰে অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা হয়, এনে কালৰ বাবে সংযোগ কাৰ্য্যালয় অধিস্থাপিত কৰিব পাৰে ।

(২) সংযোগ কাৰ্য্যালয়ক অধিস্থাপিত কৰি উপধাৰা (১) ৰ অধীনত এখন অধিসূচনাৰ প্ৰকাশনৰ ওপৰত, ——

(ক) ধাৰা ৪ৰ উপধাৰা (২)ৰ খণ্ডসমূহ (গ), (ঙ) আৰু (থ)ত নিৰ্দ্দেশিত সকলো সদস্যই অধিস্থাপনৰ তাৰিখৰ পৰা, এনেদৰে তেওঁলোকৰ পদসমূহ ৰিক্ত কৰিব ।

(খ) সকলো ক্ষমতা, কৃত্য আৰু কৰ্ত্তব্য যিবোৰ এই অধিনিয়মৰ উপবন্ধাৱলীসমূহৰ দ্বাৰা বা অধীনত, সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা বা হকে কাৰ্যকৰী বা নিৰ্বহিত কৰা হয়, উপধাৰা (৩)ৰ অধীনত সংযোগ কাৰ্য্যালয় পুনৰ গঠিত নোহোৱালৈকে, এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা কাৰ্যকৰী আৰু নিৰ্বহন কৰা হ'ব যিদৰে কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ দিয়ে ; আৰু

(গ) সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা স্বামীত্বাধীন বা নিয়ন্ত্ৰিত সকলো সম্পত্তি উপধাৰা (৩)ৰ অধীনত সংযোগ কাৰ্যালয় পুনৰ স্থাপিত নোহোৱালৈকে কেন্দ্ৰীয় চৰকাৰত ন্যস্ত কৰা হ'ব ।

(৩) উপধাৰা (১)ৰ অধীনত জাৰী কৰা অধিসূচনাত বিনিৰ্দ্দিষ্ট পুনৰ অধিস্থাপনৰ কালৰ অৱসানত কেন্দ্ৰীয় চৰকাৰে নতুন নিযুক্তিৰ দ্বাৰা সংযোগ কাৰ্য্যালয় পুনৰ গঠন কৰিব পাৰে আৰু এনে ক্ষেত্ৰত কোনো ব্যক্তি বা ব্যক্তিসমূহ, যিয়ে উপধাৰা (২)ৰ খণ্ড (ক)ৰ অধীনত সেই পদসমূহ ৰিক্ত কৰিছে, নিযুক্তিৰ বাবে অনৰ্হ বুলি গণ্য নহব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, কোনো সময়তে অধিস্থাপনৰ কালৰ অৱসানৰ পূৰ্বে এই উপধাৰাৰ অধীনত ব্যৱস্থা লব পাৰে ।

(৪) কেন্দ্ৰীয় চৰকাৰে উপধাৰা (১)ৰ অধীনত জাৰী কৰা এখন অধিসূচনা আৰু এই ধাৰাৰ অধীনত লোৱা কাৰ্যব্যৱস্থা আৰু যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত হ'ব লগা এনে কাৰ্যব্যৱস্থা সৃষ্টি কৰা পৰিস্থিতিৰ সম্পূৰ্ণ প্ৰতিবেদন কাৰিত কৰিব ।

**কোম্পানী সমূহৰ দ্বাৰা কৰা ত্ৰুটী ।**

৪৮ । (১) য'ত কোনো কোম্পানীয়ে ধাৰা ১৪ৰ খণ্ড (গ) বা খণ্ড (ঘ) বা খণ্ড (জ) খণ্ড (ঝ)ৰ খণ্ড (ট) বা খণ্ড (ঠ)বা খণ্ড (ঢ)বা খণ্ড (দ)বা (ধ)বা ধাৰা ১৫ৰ খণ্ড (খ)বা (গ)বা খণ্ড (জ)ৰ উপবন্ধাৱলীৰ পৰ্য্যন্ত কোনো ত্ৰুটী কৰে, এনে উলঙ্ঘণৰ সময়ত এটা কোম্পানীৰ দৰে কোম্পানীৰ ব্যৱসায়ৰ পৰিচালনাৰ বাবে কোম্পানীৰ ভাৰত আৰু দায়িত্বত থকা প্ৰত্যেক ব্যক্তিক সেই উক্ত উপবন্ধাৱলীৰ উলঙ্ঘনত কাৰ্য্য কৰিছে বুলি গণ্য কৰা হ'ব আৰু ধাৰা ২৬ৰ অধীনত ইয়াৰ বিৰুদ্ধে কাৰ্যবাহী আৰু আৰোপিত অৰ্থদণ্ডৰ বাবে তদনুসাৰে দায়ী হ'ব ঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই এনে কোনো ব্যক্তিক এই অধিনিয়মত উপবন্ধিত দণ্ডৰ বাবে দায়ী নকৰিব যদি তেওঁ প্ৰমাণ কৰে, যে পূৰ্বোক্ত উপবন্ধাৱলীৰ উলঙ্ঘন, তেওঁৰ অজ্ঞাতত সংঘটিত কৰা হৈছিল বা তেওঁ পূৰ্বোক্ত উপবন্ধৰ উলঙ্ঘন বাৰণ কৰিবলৈ সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল ।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্ত্বেও, য'ত ধাৰা ১৪ৰ খণ্ড (গ)ৰ বা খণ্ড (ঘ) বা খণ্ড (জ)ৰ খণ্ড (ঝ) বা খণ্ড (ট)বা (ঠ) বা খণ্ড (ঢ) বা খণ্ড (দ) বা খণ্ড (ধ) বা ধাৰা ১৫ৰ খণ্ড(খ) বা খণ্ড (গ) বা খণ্ড (জ)ৰ উপবন্ধাৱলীৰ কোনো উলঙ্ঘণ কোনো নিৰ্দ্দেশক, পৰিচালক, সচিব বা কোম্পানীৰ আন পদাধিকাৰীৰ সম্মতি বা মৌন সম্মতিত কৰা হৈছে বা কোনো অৱহেলাৰ বাবে আৰোপনীয় হয়, এনে নিৰ্দ্দেশক, পৰিচালক, সচিব বা আন পদাধিকাৰীসকলক উক্ত উপবন্ধাৱলীৰ উলঙ্ঘন কৰিছে বুলি গণ্য কৰা হ'ব আৰু তদনুসাৰে অৰ্থদণ্ড আৰোপনৰ বাবে কাৰ্যবাহী কৰিবলৈ দায়ী হ'ব ।

# শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১

**স্পষ্টীকৰণ** —এই ধাৰাৰ প্ৰয়োজনাৰ্থে ‘‘কোম্পানী’’ মানে এটা নিগমিত নিকায় আৰু ই, ফাৰ্ম বা ব্যক্তিৰ আন সন্থাক অন্তৰ্ভুক্ত কৰে ।

আয়কৰৰ পৰা ৰেহাই ।

৪৯ । আয়কৰ অধিনিয়ম, ১৯৬১ত বা আয়, লাভ বা মুনাফা সম্বন্ধত তৎকালীন বলবৎ কোনো অধিনিয়মিতিত কোনো কথা থকা সত্ত্বেও —

১৯৬১ৰ ৪৩

(ক) সংযোগ কাৰ্য্যালয় ;

(খ) সংযোগ কাৰ্য্যালয়ৰ স্থাপনৰ অব্যৱহিত আগলৈকে ইয়াৰ গঠনৰ তাৰিখৰ পৰা বিদ্যমান শক্তি ব্যৱস্থাপন কেন্দ্ৰ,

তেওঁলোকৰ প্ৰাপ্ত কোনো আয়, লাভ বা মুনাফাৰ ক্ষেত্ৰত কোনো আয়কৰ বা কোনো কৰ আদায় দিবলৈ দায়ী নহ'ব ।

সদ্ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা ।

৫০ । কোনো বাদ, অভিযোজন বা আন বিধিক কাৰ্য্যবাহী, কেন্দ্ৰীয় চৰকাৰ বা মহানিৰ্দ্দেশক বা সচিব বা ৰাজ্য চৰকাৰ বা সেই চৰকাৰৰ কোনো পদাধিকাৰী বা ৰাজ্যিক আয়োগ বা ইয়াৰ সদস্য বা সংযোগ কাৰ্য্যালয়ৰ কোনো সদস্য বা পদাধিকাৰী বা আন কৰ্মচাৰীৰ বিৰুদ্ধে কোনো কামৰ বাবে নচলিব যিটো এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত সদ্ বিশ্বাসত কৰা হৈছে বা কৰা বুলি অভিপ্ৰেত হৈছে ।

আৰোপন ।

৫১ । সংযোগ কাৰ্য্যালয়ে, লিখিত ভাবে সাধাৰণ বা বিশেষ আদেশৰ দ্বাৰা কোনো সদস্য, সমিতিৰ সদস্য, সংযোগ কাৰ্য্যালয়ৰ পদাধিকাৰী বা আন কোনো ব্যক্তিক এনে চৰ্ত্ত সাপেক্ষে যদি কিবা থাকে, এই অধিনিয়মৰ অধীনত ইয়াৰ এনে ক্ষমতা আৰু কৃত্যসমূহক আদেশত বিনিৰ্দ্দিষ্ট কৰা দৰে (ধাৰা ৫৮ৰ অধীনত ক্ষমতাসমূহৰ ব্যতিৰেকে) আৰোপ কৰিব পাৰে, যিদৰে আৱশ্যক বুলি গণ্য কৰে ।

তথ্য লাভৰ ক্ষমতা ।

৫২ । ধাৰা ১৪ৰ খণ্ড (গ)ৰ অধীনত বিনিৰ্দ্দিষ্ট আহিলা বা সা-সজুলিৰ প্ৰত্যেক নামোদিষ্ট উপভোক্তা বা নিৰ্ম্মাণকাৰীয়ে এনে তথ্যৰ সৈতে আৰু কোনো আহিলা বা সা-সজুলিৰ সম্পৰ্কত ব্যৱহৃত কোনো সামগ্ৰী বা উপাদানৰ এনে নমুনাৰ সৈতে সংযোগ কাৰ্য্যালয়লৈ যোগান ধৰিব পাৰে যিদৰে সংযোগ কাৰ্য্যালয়ে অপেক্ষা কৰে ।

ৰেহাই দিবলৈ ক্ষমতা ।

৫৩ । যদি কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ এই মত হয় যে জনসাধাৰণৰ স্বাৰ্থত এনে কৰিবলৈ আৱশ্যক বা সমীচীন হয়, ই অধিসূচনাৰ দ্বাৰা আৰু অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে চৰ্ত্তাৱলীৰ সাপেক্ষে এই অধিনিয়মৰ উপবন্ধাৱলীৰ সকলো বা কোনোটোৰ প্ৰয়োগৰ পৰা কোনো নামোদিষ্ট উপভোক্তা বা নামোদিষ্ট উপভোক্তাৰ শ্ৰেণীক ৰেহাই দিব পাৰে ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে পাঁচ বছৰৰ অধিক কালৰ বাবে কোনো নামোদিষ্ট উপভোক্তা বা নামোদিষ্ট উপভোক্তাৰ শ্ৰেণীক ৰেহাই মঞ্জুৰ নকৰিব ঃ

উপৰন্তু কেন্দ্ৰীয় চৰকাৰ বা যথাস্থিতি ৰাজ্য চৰকাৰে এনে ৰেহাই মঞ্জুৰ কৰাৰ পূৰ্বে শক্তিৰ কাৰ্যদক্ষ সংযোগ কাৰ্য্যালয়ৰ সৈতে আলোচনা কৰিব ।

আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ, পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ, ৰাজ্যিক আয়োগৰ সদস্য, সংযোগ কাৰ্য্যালয়ৰ মহা নিৰ্দ্দেশক, সচিব, সদস্য, পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ লোকসেৱক হ'ব ।
১৮৬০ৰ ৪৫

৫৪ । আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ বা আপীল ন্যায়াধিকৰণৰ সদস্যসকল বা আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী বা কৰ্মচাৰীবৃন্দ বা ৰাজ্যিক আয়োগৰ সদস্যসকল বা সংযোগ কাৰ্য্যালয়ৰ সদস্য, মহানিৰ্দ্দেশক, সচিব, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক যেতিয়া এই অধিনিয়মৰ উপবন্ধৰ যি কোনোটোৰ অনুসৰণত কাম কৰি থাকে বা কাম কৰিবলৈ তাৎপৰ্য্যিত হয়, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য কৰা হ'ব ।

কেন্দ্ৰীয় চৰকাৰৰ নির্দ্দেশনা জাৰী কৰাৰ ক্ষমতা।

৫৫। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যত এই অধিনিয়মৰ নিষ্পাদন সম্পন্ন কৰাৰ বিষয়ে ৰাজ্য চৰকাৰ বা সংযোগ কাৰ্য্যালয়লৈ নির্দ্দেশ দিব পাৰে।

কেন্দ্ৰীয় চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।

৫৬। (১)কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ——

(ক) ধাৰা ৪ৰ উপধাৰা (২)ৰ খণ্ড (ণ), (ত) আৰু (থ)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সদস্যৰূপে এনে সংখ্যক ব্যক্তিক নিযুক্ত কৰা হয় ;

(খ) ধাৰা ৪ৰ উপধাৰা (৫)ৰ অধীনত সদস্যসকললৈ দেয় মাচুল আৰু ভাত্তাসমূহ ;

(গ) ধাৰা ৯ৰ উপধাৰা (৪)ৰ অধীনত সংযোগ কাৰ্য্যালয়ৰ মহা নির্দ্দেশকক দিবলগীয়া বেতন আৰু ভাত্তাসমূহ আৰু তেওঁৰ সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু সচিবৰ সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(ঘ) ধাৰা ১০ৰ উপধাৰা (২)ৰ অধীনত সংযোগ কাৰ্য্যালয়ৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(ঙ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড (প)ৰ অধীনত, বিহিত কৰা দৰে সংযোগ কাৰ্য্যালয়ৰ দ্বাৰা এনে আন কৃত্যসমূহ পালন কৰা ;

(চ) ধাৰা ১৪ৰ খণ্ড (ছ)ৰ অধীনত নামোদিষ্ট উপভোক্তাৰ বাবে শক্তি ব্যয় নিৰিখ আৰু মানদণ্ড ;

(ছ) ধাৰা ১৪ খণ্ড (ছ)ৰ পৰন্তুকৰ অধীনত বিভিন্ন নামোদিষ্ট উপভোক্তাৰ বাবে বিভিন্ন নিৰিখ আৰু মানদণ্ড বিহিত কৰা ;

(জ) প্ৰ-পত্ৰ আৰু ৰীতি আৰু সময় যিটোৰ ভিতৰত শক্তি ব্যয়ৰ বিষয়ে তথ্য আৰু প্ৰদান কৰিবলগীয়া প্ৰত্যৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ চুপাৰিছত গ্ৰহণ কৰা কাৰ্য্য ব্যৱস্থা ধাৰা ১৪ৰ খণ্ড (ট)ৰ অধীনত দিয়া হৈছে ;

(ঝ) প্ৰ-পত্ৰ আৰু ৰীতি য'ত ধাৰা ১৪ৰ খণ্ড (ঝ)ৰ অধীনত শক্তি ব্যয়ৰ স্থিতি দাখিল কৰা হয় ;

(ঞ) ধাৰা ১৪ খণ্ড (ঙ)ৰ অধীনত শক্তি পৰিচালকৰ বাবে নিম্নতম অৰ্হতাসমূহ ;

(ট) ধাৰা ১৪ খণ্ড (ণ)ৰ অধীনত আৰ্চনিৰ প্ৰস্তুতি আৰু ইয়াৰ প্ৰয়োগৰ বাবে প্ৰ-পত্ৰ আৰু ৰীতি ;

(ঠ) ধাৰা ১৪ৰ খণ্ড (ত)ৰ অধীনত শক্তি সংৰক্ষণ নিৰ্ম্মাণ পদ্ধতি ;

(ড) ধাৰা ১৭ৰ উপধাৰা (২)ৰ অধীনত পৰিদৰ্শন সম্পৰ্কিত বিষয়সমূহ ;

(ঢ) যি প্ৰ-পত্ৰ আৰু যি সময়ত সংযোগ কাৰ্য্যালয়ে ধাৰা ২২ৰ অধীনত ইয়াৰ বাজেট প্ৰস্তুত কৰিব ;

(ণ) যি প্ৰ-পত্ৰত আৰু যি সময়ত সংযোগ কাৰ্য্যালয়ে ধাৰা ২৩ৰ অধীনত ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব ;

(ত) যি প্ৰ-পত্ৰত সংযোগ কাৰ্য্যালয়ৰ হিচাপসমূহ ধাৰা ২৫ৰ অধীনত সংৰক্ষিত কৰা হ'ব ;

(থ) ধাৰা ২৭ৰ উপধাৰা (১)ৰ অধীনত অনুসন্ধান কৰাৰ ৰীতি ;

(দ) ধাৰা ৩১ৰ উপধাৰা (২)ৰ অধীনত আপীল দাখিল কৰাৰ বাবে প্ৰ-পত্ৰ আৰু মাচুল ;

(ধ) ধাৰা ৩৫ৰ অধীনত আপীল ন্যায়াধিকৰণৰ অধ্যক্ষ আৰু আপীল ন্যায়াধিকৰণৰ সদস্যসমূহক দিবলগীয়া বেতন আৰু ভাত্তা আৰু সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী ;

(ন) ধাৰা ৩৯ৰ উপধাৰা (৩)ৰ অধীনত আপীল ন্যায়াধিকৰণৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ বেতন আৰু ভাত্তাসমূহ আৰু সেৱাৰ আন চৰ্ত্তাৱলী ;

(প) অতিৰিক্ত বিষয়সমূহ যাৰ সম্বন্ধত আপীল ন্যায়াধিকৰণে ধাৰা ৪০ৰ উপধাৰা (২)ৰ খণ্ড (ঝ)ৰ অধীনত এখন চিভিল ন্যায়ালয়ৰ ক্ষমতাসমূহ কাৰ্য্যকৰী কৰিব পাৰে ;

(ফ) আন কোনো বিষয় যিটো বিহিত হয় বা হ'ব পাৰে বা যিটোৰ সম্পৰ্কত উপবন্ধবোৰ নিয়মাৱলীৰ দ্বাৰা প্ৰণীত কৰা হয় বা হ'ব পাৰে ।

**ৰাজ্য চৰকাৰৰ নিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা ।**

৫৭। (১) ৰাজ্য চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলী কাৰ্য্যকৰী কৰাৰ বাবে আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত নিয়মাৱলীৰ সৈতে অসঙ্গত নোহোৱা, যদি কিবা থাকে, নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ধাৰা ১৫ৰ খণ্ড (ক)ৰ অধীনত শক্তি সংৰক্ষণ নিৰ্ম্মান পদ্ধতি ;

(খ) প্ৰ-পত্ৰ আৰু ৰীতি আৰু সময় যিটোৰ ভিতৰত শক্তি ব্যয়ৰ সম্বন্ধে থকা তথ্য ধাৰা ১৫ৰ খণ্ড (জ)ৰ অধীনত দিয়া হ'ব ;

(গ) কোনো ব্যক্তি বা কোনো প্ৰাধিকাৰী যিজনে নিধি প্ৰয়োগ কৰিব আৰু ধাৰা ১৬ৰ উপধাৰা (৪)ৰ অধীনত নিধি প্ৰয়োগ কৰাৰ ৰীতি ;

(ঘ) ধাৰা ১৭ৰ উপধাৰা (২)ৰ অধীনত পৰিদৰ্শনৰ প্ৰয়োজনাৰ্থে অন্তৰ্ভুক্ত হ'ব লগীয়া বিষয় ;

(ঙ) আন কোনো বিষয় যিটো বিহিত হয় বা হ'ব পাৰে বা যিবোৰৰ সম্বন্ধত নিয়মাৱলীৰ দ্বাৰা উপবন্ধ কৰা হয় বা কৰিব পাৰে ।

**সংযোগ কাৰ্য্যালয়ৰ বিনিয়মাৱলী প্ৰণয়ন কৰাৰ ক্ষমতা।**

৫৮। (১) সংযোগ কাৰ্য্যালয়ে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব সংমোদনসহ আৰু পূৰ্বৰ প্ৰকাশনৰ চৰ্ত্তৰ সাপেক্ষে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্যকৰী কৰিবলৈ এই অধিনিয়ম আৰু ইয়াৰ অধীনত প্ৰণীত উপবন্ধৰ সৈতে অসঙ্গত নোহোৱাকৈ বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে বিনিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) শাসকীয় পৰিষদৰ সভাসমূহৰ সময় আৰু স্থানসমূহ আৰু ধাৰা (৫)ৰ উপধাৰা (১)ৰ অধীনত এনে সভাসমূহত অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া ;

(খ) ধাৰা ৮ৰ উপধাৰা (২)ৰ অধীনত গঠিত পৰামৰ্শদাতা সমিতিৰ সদস্যসমূহ ;

(গ) ধাৰা ৯ৰ উপধাৰা (৬)ৰ অধীনত সংযোগ কাৰ্য্যালয়ৰ মহানিৰ্দ্দেশকৰ দ্বাৰা ক্ষমতা আৰু কৰ্ত্তব্যসমূহ কাৰ্য্যকৰী আৰু নিৰ্বহন কৰা হ'ব ;

(ঘ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড (ঢ)ৰ অধীনত শক্তিৰ কাৰ্যদক্ষ ব্যৱহাৰ আৰু ইয়াৰ সংৰক্ষণৰ উন্নতিৰ বাবে উপবন্ধিত সেৱাসমূহৰ বাবে মাচুলৰ উদ্‌গ্ৰহণ ;

(ঙ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড (ণ)ৰ অধীনত প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ তালিকা ;

(চ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড(ত)ৰ অধীনত প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ অৰ্হতাসমূহ ;

(ছ) ৰীতি আৰু সময়ৰ ব্যৱধান যিবোৰত ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড (থ)ৰ অধীনত শক্তি হিচাপ পৰীক্ষা পৰিচালিত হ'ব ;

(জ) ধাৰা ১৩ৰ উপধাৰা (২)ৰ খণ্ড (দ)ৰ অধীনত শক্তি পৰিচালকৰ বাবে প্ৰমাণীকৰণ প্ৰক্ৰিয়া ;

(ঝ) ধাৰা ১৪ৰ খণ্ড (ঘ)ৰ অধীনত লেবেলৰ ওপৰত প্ৰদৰ্শন কৰিবলৈ অপেক্ষিত হোৱা সবিশেষ আৰু সেইবোৰৰ প্ৰদৰ্শনৰ ৰীতি ;

(ঞ) ধাৰা ১৪ৰ খণ্ড (জ) বা খণ্ড (ধ)ৰ অধীনত শক্তি হিচাপ পৰীক্ষকৰ পৰিচালকৰ বাবে ৰীতি আৰু সময়ৰ ব্যৱধান ;

(ট) ধাৰা ১৫ৰ খণ্ড (গ)ৰ অধীনত প্ৰত্যাৰ্পিত শক্তি হিচাপ পৰীক্ষকৰ দ্বাৰা শক্তি হিচাপ পৰীক্ষা পৰিচালনা কৰাৰ বাবে ৰীতি-আৰু সময়ৰ ব্যৱধান ;

(ঠ) আন কোনো বিষয় যিটো বিনিৰ্দ্দিষ্ট কৰিবলৈ অপেক্ষিত হয় বা হ'ব পাৰে ।

**সংসদ আৰু ৰাজ্যিক বিধান সভাত উথাপন কৰিবলগীয়া নিয়মাৱলী আৰু বিনিয়মাৱলী।**

৫৯। (১) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম আৰু এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক বিনিময়, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিৱেশন চলি থকাৰ সময়ত এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে হোৱা সংসদৰ প্ৰত্যেক সদনত উথাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিৱেশনৰ অব্যৱহিত পৰৱৰ্ত্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনৰ অৱসানৰ পূৰ্বে, উভয় সদনে নিয়ম বা বিনিয়মৰ কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে, তেন্তে তাৰ পিছত নিয়ম বা বিনিয়ম ক্ষেত্ৰ বিশেষে এনে সাল-সলনি আকাৰত প্ৰভাৱী হ'ব বা একেবাৰে প্ৰভাৱহীন হব ; সেয়ে হলেও এনে সাল-সলনি বা ৰদ্‌কৰণে সেই নিয়ম বা বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাব নেপেলোৱাকৈ হ'ব ।

(২) ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে ৰাজ্যিক বিধান সভাৰ প্ৰত্যেক সদনত, য'ত ই দুখন সদনৰে গঠিত হয় বা এনে বিধানসভা, যিখন এখন সদনৰে গঠিত হয়, সেই সদনত উথাপন কৰা হ'ব।

**বৰ্জন নকৰা আন বিধিৰ প্ৰয়োগ।**

৬০। এই অধিনিয়মৰ উপবন্ধাৱলী, সম্প্ৰতি বলবৎ থকা আন কোনো বিধিৰ উপবন্ধাৱলীত সংযোজিত হ'ব আৰু হ্ৰাস কৰা নহব ।

**কেতবোৰ ক্ষেত্ৰত এই অধিনিয়মৰ উপবন্ধাৱলী প্ৰয়োগ নহব ।**

৬১। এই অধিনিয়মৰ উপবন্ধাৱলী, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত কৰা দৰে প্ৰতিৰক্ষা, পাৰমাণৱিক শক্তি বা এনে আন সদৃশ মন্ত্ৰালয়ত বা বিভাগসমূহ বা এনে মন্ত্ৰালয় বা বিভাগসমূহৰ নিয়ন্ত্ৰণৰ অধীনত থকা উপক্ৰম বা বোৰ্ডক প্ৰতিষ্ঠানসমূহৰ সৈতে সংব্যৱহৃত হোৱা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগত প্ৰয়োগ নহব ।

**জটিলতা দূৰীকৰণৰ ক্ষমতা ।**

৬২। (১) যদি এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰাত কোনো জটিলতাৰ উদ্ভৱ হয়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধাৱলীৰ সৈতে অসঙ্গত নোহোৱাকৈ এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে যিদৰে জটিলতা দূৰীকৰণৰ বাবে এইটো আৱশ্যকীয় বুলি প্ৰতীত হয় ঃ

পৰন্তু এনে কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুই বছৰৰ অৱসানৰ পিছত এই ধাৰাৰ অধীনত দিয়া নহব ।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ,ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উথাপিত কৰা হ'ব ।

# অনুসূচী

[ ধাৰা ২ (ধ) চাওঁক ]

নামোদ্দিষ্ট উপভোক্তাৰূপে বিনিৰ্দ্দিষ্ট কৰা শক্তিসূচক উদ্যোগ আৰু আন প্ৰতিষ্ঠানৰ তালিকা।

১। এলুমিনিয়াম ;

২। সাৰ ;

৩। লোহা আৰু তীখা ;

৪। চিমেণ্ট ;

৫। জৈৱখণ্ড আৰু কাগজ ;

৬। কল'ৰ আলকালি ;

৭। চেনি ;

৮। বয়নবস্ত্ৰ ;

৯। ৰাসায়নিক দ্ৰব্য ;

১০। ৰেলৱে ;

১১। পত্তন ন্যাস ;

১২। পৰিবহন খণ্ড (উদ্যোগ আৰু সেৱাসমূহ) ;

১৩। পেট্ৰ'কেমিকেল, গেছ ক্ৰেকাৰ, নেফটা ক্ৰেকাৰ আৰু পেট্ৰ'লিয়াম শোধানাগাৰ ;

১৪। থাৰ্মেল শক্তি আস্থান, হাইদেন শক্তি আস্থান, বিদ্যুৎ পৰিবহন কোম্পানীসমূহ আৰু বিতৰণৰ কোম্পানীসমূহ ;

১৫। ব্যৱসায়িক ভৱন আৰু প্ৰতিষ্ঠান।

ৰাষ্ট্ৰপতিয়ে শক্তি সংৰক্ষণ অধিনিয়ম, ২০০১ (২০০১ৰ অধিনিয়ম সংখ্যা ৫২)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above mention in Assamese of The Energy Conservation Act, 2001 (Act No. 52 of 2001) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) 1973 (Act No. 50 of 1973).

SANJAY SINGH
Secretary to the Govt. of India

New Delhi
Date :